www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, OCTOBER 20, 2024 ■ দেওবাৰ, ৩ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৮৬ Guwahati, Assam ।। মূল্যঃ এটকা

## এপিএছচিৰ ফলাফল ঘোষণা

**ই-সংবাদ, ১৯ অক্টোবৰঃ** দীৰ্ঘ জল্পনা-কল্পনাৰ অন্তত আজি ঘোষণা কৰা হৈছে অসম লোকসেৱা ৬ পৃষ্ঠাত চাওক

## সমাজত এতিয়া হিংসাৰ প্ৰতি বৃদ্ধি পাইছে আগ্ৰহ!

### কবি-কভাৰ



■ অশোক বাজপেয়ী

**যিখন** চহৰত মই শৈশৱৰ মধুৰ মুহূৰ্ত পাৰ কৰি যৌৱন গৰকিছিলো, সেই চহৰখনৰ নাম হৈছে সাগৰ। যোৱা শতিকাটোৰ চল্লিশ-পঞ্চাশৰ দশকত কেইজনমান গুণ্ডাৰ সামন্তৰাজ চলিছিল সেই চহৰখনত। আচলতে সেই সময়ত তেওঁলোকক 'গুণ্ডা' বুলি শেষাংশ ৩ পৃষ্ঠাত

## দিনত ব্যস্ত ঝাৰখণ্ডৰ নিৰ্বাচনত!

# দুমাহত পাঁচ দিন ৰাতি ৰাতি ফেচবুক লাইভ মুখ্যমন্ত্ৰী হিমন্তৰ



**ই-সংবাদ, ১৯ অক্টোবৰঃ** দীৰ্ঘদিন ধৰি ঝাৰখণ্ডৰ নিৰ্বাচনত ব্যস্ত থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসমলৈ উভতি অসমৰ ৰাইজৰে সমস্যাকো যে গুৰুত্ব দিছে সেয়া প্ৰতিপন্ন কৰিবলৈ সময়ে সময়ে ফেচবুক লাইভ আহি মনৰ কথা কৈ গৈছে। আদিবাসী, দলিত বহুল ৰাজ্য ঝাৰখণ্ডত ডঃ হিমন্ত বিশ্ব শৰ্মাক কৰা হৈছে শেষাংশ ৫ পৃষ্ঠাত



## বাংগালুৰুত বিদ্ৰোহী ছৰফৰাজ

**বাংগালুৰু, ১৯ অক্টোবৰঃ** আন্তৰ্জাতিক ক্ৰিকেটত শতকীয় ইনিংছ। এই দিনটোৰ বাবেই কিমান যে পৰিশ্ৰম কৰা নাছিল ছৰফৰাজ খানে। ঘৰুৱা ক্ৰিকেটত ধাৰাবাহিকভাৱে ৰান কৰি শেষাংশ ২ পৃষ্ঠাত

## নামানে ফণীৰ পত্নীক! বঙাইগাঁৱত একেদিনাই ৩৬ নেতাৰ দলত্যাগ

# নামনি অসমত নিশ্চিহ্ন হোৱাৰ দিশে অসম গণ পৰিষদ



ডিফলু চাহ বাগিছাত উৰিয়া সমাজৰ অগ্নি পূজাত মন্ত্ৰী অতুলৰ সেৱা

**ই-সংবাদ বিশেষ, ১৯ অক্টোবৰঃ** অসম গণ পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি তথা প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক দলৰ পৰা বিদায় দিয়াৰ পিছৰে পৰা মাথো দুই-তিনিজন নেতাৰ নেতৃত্বৰে চলি আহিছে অসম গণ পৰিষদ। মুষ্টিমেয় একাংশ শেষাংশ ৪ পৃষ্ঠাত

## বিজেপিৰ প্ৰাৰ্থী ঘোষণা

ই-সংবাদ, ১৯ অক্টোবৰঃ উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া অসমৰ ৫টা সমষ্টিৰ ভিতৰত তিনি সমষ্টিৰ প্ৰাৰ্থী ঘোষণা কৰিছে বিজেপিয়ে। সহযোগী দলক এৰি দিয়া দুটা সমষ্টিক বাদ দি বিহালী, ধলাই আৰু চামগুৰিৰ সমষ্টিৰ টিকট ঘোষণা কৰা হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় নেতৃত্বই মুখ্য কাৰ্যালয়ৰ পৰা প্ৰকাশ কৰা তালিকা মতে, ধলাই সমষ্টিত নিহাৰ ৰঞ্জন শেষাংশ ২ পৃষ্ঠাত

## বীমাৰ পৰা জিএছটি উঠাই দিব কেন্দ্ৰই

**নতুন দিল্লী, ১৯ অক্টোবৰঃ** দীপাৱলীৰ বতৰত সাধাৰণ জনতাক সামান্য সকাহ কেন্দ্ৰীয় চৰকাৰ। স্বাস্থ্য আৰু জীৱন বীমাৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে প্ৰযোগ্য কৰি অহা সামগ্ৰী আৰু সেৱা শেষাংশ ৩ পৃষ্ঠাত

## কেবিনেটৰ প্ৰস্তাৱত অনুমোদন উপ-ৰাজ্যপাল সিনহাৰ

# পূৰ্ণ ৰাজ্যৰ দিশে অগ্ৰসৰ কাশ্মীৰ!

**শ্ৰীনগৰ, ১৯ অক্টোবৰঃ** চৰকাৰ গঠন কৰিয়েই জম্মু-কাশ্মীৰলৈ পৰিৱৰ্তন অনাৰ প্ৰচেষ্টাত নামি পৰিছে মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা। সম্পূৰ্ণ দহ বছৰ পিছত জম্মু-কাশ্মীৰত গঠন হৈছে এনপিপি মিত্ৰজোঁটৰ চৰকাৰ। আৰু এই চৰকাৰ গঠন হোৱাৰ সপ্তাহ পূৰ্ব নৌহওতেই জম্মু-কাশ্মীৰক পূৰ্ণ ৰাজ্যৰ মৰ্যাদা প্ৰদানৰ বাবে মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই কেবিনেটত প্ৰস্তাৱ গৃহীত কৰে। এতিয়া কেবিনেটৰ এই প্ৰস্তাৱত শেষাংশ ৫ পৃষ্ঠাত

## কংগ্ৰেছে কঁপালে ৰূপহী

**ই-সংবাদ, ১৯ অক্টোবৰঃ** মধ্য অসমত উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া নগাঁও জিলাৰ চামগুৰি সমষ্টিত গৰম বতাহ বলিছে। ইতিমধ্যে আক্ৰমণ-প্ৰত্যাক্ৰমণ, বাকযুদ্ধই ভয়ংকৰ ৰূপ লৈছে। বিশেষকৈ চামগুৰি সমষ্টিত শেষাংশ ৬ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংগালুৰুত বিদ্ৰোহী ছৰফৰাজ

গৈছিল। তাৰপিছতো তেওঁৰ বাবে খোল খোৱা নাছিল টীম ইণ্ডিয়াৰ দুৱাৰ। এই বছৰৰ আৰম্ভণিতে আন্তৰ্জাতিক ক্ৰিকেটত অভিষেক ঘটাইছিল ছৰফৰাজে। অৱশেষত অভিষেক ঘটোৱা বৰ্ষটোতে বিপদৰ ত্ৰাণকৰ্তা ৰূপত অৱতীৰ্ণ হৈ সংগ্ৰহ কৰিলে শতক। নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথম ইনিংছত ৪৬ ৰানত অল আউট হৈ নিশ্চিত পৰাজয়ৰ দিশে গতি কৰাৰ পৰা দলক উদ্ধাৰ কৰে ছৰফৰাজৰ এই শতকীয় ইনিংছে। এই ইনিংছেৰে তেওঁ দলত স্থান নিগাজী কৰাই নহয়, প্ৰয়োজনৰ সময়ত দলক উদ্ধাৰ কৰিবলৈকো সমৰ্থ হৈছে। শুকুৰবাৰে ছৰফৰাজ আৰু বিৰাট কোহলিয়ে মিলি ১৩৬ ৰানৰ যুটি গঢ়িছিল। এই যুটিয়ে ৰণত পৰা দলটোলৈ আশা ঘূৰাই আনিছিল যদিও তৃতীয় দিনৰ অন্তিমটো বলত বিৰাট আউট হোৱাৰ লগে লগে ছৰফৰাজৰ কান্ধত আহি পৰিছিল ইনিংছ সম্ভালি ৰখাৰ গুৰু দায়িত্ব। ছৰফৰাজে সেই দায়িত্ব পালন কৰিব পাৰিব নে নাই তাক লৈ সন্দিহান হৈ পৰিছিল ভাৰতীয় দৰ্শকসকল। কিন্তু আজি টিম ছাউথিৰ অভাৱৰ তৃতীয়টো বল বেকফুটলৈ আহি কভাৰলৈ ঠেলি দিয়েই ভাৰতীয় অনুৰাগীসকলৰ মনত আশা জগাই তোলে ছৰফৰাজে। বলটো বাউণ্ডেৰী পাৰ হ'ব বুলি নিশ্চিত হৈ হেলমেট খুলি দিছিল ছৰফৰাজে। তাৰপিছত স্ক'ৰবৰ্ডত অংকিত হৈছিল ছৰফৰাজৰ নামত আন্তঃৰাষ্ট্ৰীয় টেষ্ট ক্ৰিকেটৰ প্ৰথমটো শতক। ১৭ বছৰ বয়সতে প্ৰথম বাৰৰ বাবে ক্ৰিকেট বিশ্বৰ দৃষ্টি কাঢ়িবলৈ সমৰ্থ হৈছিল ছৰফৰাজে। প্ৰথমে পিতৃ নৌশাদ খানৰ অধীনতে অনুশীলন চলাই গৈছিল। নৌশাদে নিজেও একালত মুম্বাইৰ হৈ ক্ৰিকেট খেলিছিস। ২০১৪ চনত প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত অভিষেক ঘটে ছৰফৰাজৰ। দুখনকৈ অনুৰ্ধ ১৯ বিশ্বকাপত অৱতীৰ্ণ হোৱাৰো গৌৰৱ অৰ্জন কৰিছে ছৰফৰাজে। ২০০৯ চনত হেৰিছ শ্বিল্ডৰ এখন মেচত ৪৩৯ ৰান স্ক'ৰ কৰি সকলোকে অবাক কৰি তুলিছিল ছৰফৰাজে। মাত্ৰ ১২ বছৰ বয়সতে শচীন তেণ্ডুলকাৰৰ ২১ বছৰৰ অভিলেখ ভংগ কৰিছিল তেওঁ। তাৰপিছতেই ছৰফৰাজক মুম্বাইৰ অনুৰ্ধ ১৯ দলত স্থান দিয়া হয়। তেনেকৈয়ে তেওঁ ভাৰতৰ অনুৰ্ধ ১৯ দলত স্থান লাভ কৰে। অনুৰ্ধ ১৯ বিশ্বকাপৰ ইতিহাসত ছৰফৰাজে সংগ্ৰহ কৰা ৫৬৬ ৰান হৈছে তৃতীয় সৰ্বোচ্চ ৰান। প্ৰথম দুটা স্থানত আছে ইয়ান মৰ্গান আৰু বাবৰ আজম। ছৰফৰাজৰ ক্ৰিকেট জীৱনক নিচেই কম বয়সৰে পৰা বিতৰ্কয়ো বাৰুকৈয়ে জোকাৰি গৈছে। বয়স বঢ়োৱাৰ অভিযোগত মুম্বাই ক্ৰিকেট সংস্থাই তেওঁক নিলম্বিত কৰে। প্ৰথমে মানি লোৱা নাছিল যদিও পিছত নিজৰ অপৰাধ স্বীকাৰ কৰিছিল ছৰফৰাজে। টিঙৰিতুলা স্বভাৱৰ বাবেও কেবাবাৰো বিপদত পৰিছে ছৰফৰাজ। এমচিএৰ কেম্পৰ পৰাও অনুশাসনহীনতাৰ বাবে নিৰ্বাসিত কৰা হৈছিল ক্ৰিকেটাৰজনক। ২০১৪-১৫ বৰ্ষত ঘৰুৱা ক্ৰিকেটত তেওঁৰ মেচ-ফী কৰ্তন কৰা হৈছিল। অনুৰ্ধ ১৯ ক্ৰিকেটৰ এখন মেচত নিৰ্বাচকক উদ্দেশ্যি কটু মন্তব্য কৰা বাবেই এই শাস্তিৰ সন্মুখীন হৈছিল ছৰফৰাজ। ২০১৪-১৫ বৰ্ষৰ পিছতেই ছৰফৰাজে নিজা দল মুম্বাই এৰি উত্তৰ প্ৰদেশৰ হৈ খেলিবলৈ আৰম্ভ কৰে। উত্তৰ প্ৰদেশ দলত কেবাবছৰো কটালেও ভাল ক্ষণৰ মুখ বহুদিনলৈ দেখা নাছিল ছৰফৰাজে। ফলত জাতীয় দলত প্ৰৱেশৰ আশাও ক্ৰমাৎ ক্ষীণ হৈ আহিছিল। সেয়ে ২০১৯-২০ বৰ্ষত বহু চিন্তা-চৰ্চাৰ অন্তত পুনৰ মুম্বাই দললৈ ঘূৰি আহে ছৰফৰাজ। সেয়াই তেওঁৰ বাবে হৈ পৰিছিল টাৰ্ণিং পইণ্ট। ইয়াৰ পিছতে তেওঁ যি দুৰ্দান্তভাৱে ঘৰুৱা ক্ৰিকেটত ৰান সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰিছিল সেয়া আঙুলিৰ মূৰত লেখিব পৰা ক্ৰিকেটাৰেহে কৰিব পাৰিছে। ৰাছিম জাফাৰ আৰু আৰু অজয় শৰ্মাৰ পিছত ভাৰতৰ তৃতীয়গৰাকী ক্ৰিকেটাৰ হিচাপে তেওঁ ক্ৰমাগতভাৱে দুবাৰকৈ ৯০০ৰো অধিক ৰান সংগ্ৰহ কৰিছে। বিগত বৰ্ষতো সুন্দৰ প্ৰদৰ্শন দাঙি ধৰিবলৈ সমৰ্থ হৈছিল ছৰফৰাজ। ঘৰুৱা ক্ৰিকেটত ৰানৰ পিছত ৰান সংগ্ৰহ কৰিও জাতীয় দলত স্থান লাভ নকৰাত সুযোগ পালেই প্ৰতিবাদ জনাই আহিছিল তেওঁ। ২০২২ চনত বাংলাদেশৰ বিৰুদ্ধে শৃংখলাত স্থান দিয়াৰ কথা কোৱা হৈছিল যদিও সেয়া হৈ মুৰকত হৈ উঠা নাছিল। তাৰ পিছত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে শৃংখলাতো সুযোগ দিয়া হোৱা নাছিল। সেই সময়তে ৰঞ্জিৰ এখন মেচৰ পিছত তেওঁ ক্ষোভত কৈছিল, "যোৱাবাৰ ৰঞ্জিৰ ফাইনেলত শতক কৰাৰ পিছত নিৰ্বাচকসকলৰ সৈতে মোৰ সাক্ষাৎ হৈছিল। তেওঁলোকে কৈছিল যে বাংলাদেশ ভ্ৰমণত সুযোগ পাম। সেয়ে সাজু হৈ থাকিবলৈ কৈছিল। কিন্তু সুযোগ দিয়া নহ'ল।" তদানীন্তন মুখ্য নিৰ্বাচক চেতন শৰ্মাৰ কথাও টানি আনি খঙাল ক্ৰিকেটাৰজনে আৰু কৈছিল, "চেতন ছাৰৰ সৈতে কথা হোৱা বহুদিনেই হৈ গ'ল। তেওঁ কৈছিল যে মই অতি শীঘ্ৰেই দলত স্থান পাম। নিৰ্বাচকসকলে এনেকৈ বাৰম্বাৰ আশা দিছিল। কিন্তু শেষত বাৰে বাৰে হতাশ হ'বলগীয়া হৈছে। এনেকৈ আশা দি আশাহত কৰাতো ভাল কথা নহয়।" এইদৰে একপ্ৰকাৰ 'বিদ্ৰোহী' হৈ পৰিছিল ছৰফৰাজ। মূল দলত স্থান নাপালেও ভাৰত 'এ' দলত স্থান দিয়া হৈছিল। কিন্তু ভাল খেলিব পৰা নাছিল। সেই কাৰণেই জাতীয় দলত স্থান পোৱাত বিলম্ব ঘটিছিল নেকি? এই কথা অৱশ্যে মুঠেই মানি নলয় ক্ৰিকেটাৰগৰাকীয়ে। তেওঁ কৈছিল, "দুই-এখন মেচত ব্যৰ্থ হোৱাতো স্বাভাৱিক। আমি ভগৱান নহয়। কিন্তু ঘৰুৱা ক্ৰিকেটত ৰঙা আৰু বগা দুয়োধৰণৰ বল খেলি ধাৰাবাহিকভাৱে ভাল ৰান কৰিছো। আমাক এদিনৰ বাবে হ'লেও দলত সুযোগ দিব পাৰে। ইমান দিন ধৰি খেলি আহিছো। জাতীয় দলত সুযোগ পাবলৈ ইয়াতকৈ আৰু বেলেগ কি চমক দেখুৱাব লাগিবনো?" বিগত বৰ্ষত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে শেষ মুহূৰ্তত দলত স্থান নাপাই কান্দি পেলাইছিল আৱেগিক ছৰফৰাজে। কিন্তু তাৰ পিছত আকৌ নিজে নিজক বুজাইছিল যে তেওঁৰ কামেই হৈছে কেৱল খেলি যোৱাতো। তেওঁ কৈছিল, "দলত নাম নেদেখি হতাশ হৈ পৰিছিলো। ক'ব নোৱাৰাকৈয়ে চকুলো নিগৰিছিল। পিছত আকৌ মনটোক বুজাইছিলো যে মই কেৱল খেলি যাম। ঘৰুৱা ক্ৰিকেটত আৰু ভালকৈ খেলিবলৈ চেষ্টা কৰিম। তেনেকৈয়ে যদি নিৰ্বাচকসকলৰ মনত স্থান পাও পাম, নাপালেও নাই।" এই বছৰৰ ১৫ ফেব্ৰুৱাৰীতো কান্দিছিল ছৰফৰাজে। তেওঁৰ পিতৃ আৰু পত্নীৰো চকুৰেও নিগৰিছিল চকুলো। পিছে সেই চকুলো বঞ্চনাৰ নাছিল, সেয়া আছিল আনন্দৰ অশ্ৰু। সতীৰ্থসকলৰ মাজত থিয় হৈ অনিল কুম্বলেৰ হাতৰ পৰা টেষ্ট অভিষেকৰ টুপি লাভ কৰিছিল ছৰফৰাজে। পুত্ৰৰ কেৰিয়াৰৰ আটাইতকৈ ডাঙৰ ক্ষণৰ সাক্ষী হৈ ৰৈছিল পিতৃ নৌশাদ। কিছু দূৰৈত থিয় হৈ চাই ৰৈছিল পুত্ৰৰ মূৰৰ টেষ্ট টুপি। সেই দৃশ্য দেখি আৱেগৰ চকুলো ধৰি ৰাখিব পৰা নাছিল পিতৃ নৌশাদ। সকলোৰে সমুখতে কান্দি পেলাইছিল একালৰ মুম্বাইৰ ক্ৰিকেটাৰজনে। টুপি পিন্ধিয়েই প্ৰথমেই পিতৃৰ কাষলৈ দৌৰি আহিছিল ছৰফৰাজ। তেওঁক সেই টুপিটো দেখুৱাইছিল। যি টুপিৰ বাবে বছৰৰ পিছত বছৰ ধৰি ঘৰৰ সমুখত নেট লগাই পিতৃৰ হাতত হাত ধৰি অনুশীলন কৰিছিল সেই পৰম প্ৰত্যাশিত টুপি পাই সাবতি ধৰিছিল পিতৃক। ইমান দিনৰ অপেক্ষাৰ অৱসানৰ অন্তত নিজক ধৰি ৰাখিব পৰা নাছিল ছৰফৰাজেও। পিতা-পুত্ৰৰ চকুৰে বৈ আহিছিল সাফল্যৰ চকুলো। পুত্ৰৰ টেষ্ট টুপিত চুম্বন কৰিছিল পিতৃয়ে। পত্নীও কাষতে আছিল। পিতৃৰ পিছত পত্নীকো সাবতি ধৰিছিল। স্বামীৰ সাফল্যত পত্নী ৰোমানাৰ চকুৰেও বৈ আহিছিল আনন্দৰ লোটক। সেই বিশেষ আনন্দৰ দিনটোৰ পিছত আজি ছৰফৰাজৰ কেৰিয়াৰত যোগ হ'ল আন এক পৰম প্ৰাপ্তি। ছৰফৰাজৰ সৈতে বঞ্চনাৰ ইতিহাসো বেছ দীঘলীয়া। যোৱা বছৰো তেওঁ হতাশ হ'বলগীয়া হৈছিল। ৱেষ্ট ইণ্ডিজ ভ্ৰমণৰত দলত স্থান দিম বুলি কৈয়ো দিয়া হোৱা নাছিল স্থান। সেই সময়তে তেওঁৰ কাষত সাহস হৈ থিয় দিছিল সুনীল গাভাস্কাৰ। এক সাক্ষাৎকাৰত ভাৰতীয় দলৰ খেলুৱৈ নিৰ্বাচন সম্পৰ্কে তেওঁ কৈছিল, "যোৱা তিনিটা বছৰ ধৰি গড়ে ১০০ ৰান কৰি ধাৰাবাহিকভাৱে ভাল খেলি আহিছে ছৰফৰাজে। ইয়াৰ পিছতো তেওঁ দলত সুযোগ পোৱা নাই। দলত সুযোগ পাবলৈ তেওঁ আৰু কি কৰিব লাগিব সেয়া ময়ো বুজা নাই। প্ৰথম একাদশত নহ'লেও অন্তত তেওঁক দলত ৰাখিব লাগিছিল।" সেই ছৰফৰাজে সুযোগ পায়েই আজি বেটেৰে বুজাই দিলে যে তেওঁ আগলৈকো কিয় সুযোগ পোৱা উচিত। আন্তৰ্জাতিক ক্ৰিকেটত চলিত টেষ্টৰ উপৰিও আগৰ তিনিখন মেচত তেওঁ ২০০ ৰান সংগ্ৰহ কৰিছে। শনিবাৰে তেওঁৰ বেটেৰে নিগৰিল ৩টা অংকৰ ৰান। তাৰপিছতো আৰু সেই শতকত আৰু ৫০ ৰান যোগ দি দলক বিপদৰ মুখৰ পৰা ৰক্ষা কৰি ১৫০ ৰানত ছাউথিৰ বলত পেটেলৰ হাতত কেচ তুলি দি পেভেলিয়নমুখী হয় ত্ৰাণকৰ্তাৰূপী বেটাৰগৰাকী। দলত সুযোগ লাভ নকৰি আৰু নিৰ্বাচকৰ পৰা বঞ্চনাৰ সন্মুখীন হৈ একাধিকবাৰ বিদ্ৰোহী হৈ উঠা ছৰফৰাজে সহজতে হাৰ নামানি তথা ৰণত পৰি কলীয়া নহৈ বাংগালুৰুত নিউজিলেণ্ডৰ বিৰুদ্ধেও বেটেৰে ঘোষণা কৰে বিদ্ৰোহ।

# সমাজত এতিয়া হিংসাৰ

প্ৰথম পৃষ্ঠাৰ পৰা...

কোৱা হোৱা নাছিল, বৰঞ্চ কোৱা হৈছিল 'ৰংদাৰ' বুলি, যিদৰে আজি বহু গুণ্ডাক ৰাজনীতিবিদ, গোৰক্ষক, আনকি কেতিয়াবা কেতিয়াবা সাংসদ-মন্ত্ৰী বুলিও সন্মান যঁচা হয়। কেতিয়াৰ পৰা জানো সমাজে গুণ্ডা বুলিলে এক দাগ বুলি ভবিবলৈ বন্ধ কৰি দিলে, সেয়া বুজিবলৈ টান লাগে।

এতিয়া স্পষ্ট হৈ পৰিছে যে বহু লোকৰ ৰাজনৈতিক উত্তৰণত গুণ্ডাগিৰিৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। ৰাজনৈতিক দলসমূহত গুণ্ডাবাহিনীৰ উপস্থিতি এতিয়া সাধাৰণ কথা হৈ পৰিছে। 'তেওঁলোকৰ গুণ্ডা', 'আমাৰ গুণ্ডা' আদি বিশেষণৰে গুণ্ডাবোৰৰ ফৌজ তৈয়াৰ কৰা হৈছে। বংগৰ কিছু বন্ধুক যেতিয়া লগ পাওঁ, তেতিয়া তেওঁলোকে কয়- আগতে যিসকল চিপিএমৰ গুণ্ডা আছিল তেওঁলোক এতিয়া তৃণমূল কংগ্ৰেছৰ গুণ্ডা হৈ পৰিছে।

গুণ্ডাসকলে প্ৰায়ে হিংসা, আক্ৰমণ, সংঘাত আদিত উচটনি দিয়াত বিশেষ ভূমিকা পালন কৰে। এই বিষয়ত বিতৰ্ক হ'ব পাৰে, কিন্তু বহু প্ৰভুভক্ত সাংবাদিক আৰু গোদী মিডিয়াৰ এংকৰে নিজৰ শালীনতা হেৰুৱাই প্ৰতিদিনে বিভিন্ন ধৰণে গুণ্ডাগিৰিত লিপ্ত হয়। টিভিৰ অনুষ্ঠানত যি ধৰণৰ মৌখিক হিংসা সংঘটিত হয় সেয়া সঁচাকৈয়ে অৱিশ্বাস্য আৰু হিংসা এতিয়া গুণ্ডাগিৰিৰ এক অপৰিহাৰ্য অংগ হৈ পৰিছে বুলিলেও ভুল কোৱা নহ'ব।

ভাৰতীয় সমাজৰ মানৱীয় সহানুভূতি আৰু সংবেদনশীলতা ভয়ংকৰভাৱে হ্ৰাস পোৱাটো আজিৰ সময়ৰ বাবে এক চিন্তাৰ বিষয়। কিন্তু এই সকলোবোৰ ঘটিছে আমি বাস কৰা 'অমৃত কাল'ত, এয়া আমি মনত ৰাখিবই লাগিব। ইয়াৰ উপৰিও ভাৰতীয় সমাজত হিংসাৰ প্ৰতি আকৰ্ষণো বাঢ়িছে। আমি এখন শান্তিপ্ৰিয় আৰু অহিংস সমাজ বুলি কৰি অহা ধাৰণাটো এতিয়া সম্পূৰ্ণৰূপে নিশ্চিহ্ন হৈ পৰিছে।

শেহতীয়াকৈ খবৰ আহিছে যে অযোধ্যাৰ প্ৰসিদ্ধ ৰাম মন্দিৰত চাফাইৰ কাম কৰা এগৰাকী ছোৱালীক দলবদ্ধ ধৰ্ষণ কৰিছে কেইজনমান পাষণ্ডই। এনে ঘটনাবোৰেই প্ৰমাণ কৰে যে এনে অনৈতিক কাৰ্য্যৰ পৰা আজি মন্দিৰ, মছজিদৰ দৰে ধৰ্মীয় স্থানসমূহো বাদ পৰি ৰোৱা নাই; বৰঞ্চ এনেবোৰ স্থান হিংসা আৰু ব্যাভিচাৰৰ কেন্দ্ৰহে হৈ পৰিছে। বিড়ম্বনাৰ কথাটো হ'ল এই গুৰুতৰ বিষয়টোক লৈ হিন্দু সমাজত কোনো দৃশ্যমান আন্দোলন দেখা নাযায়। অশিক্ষিত ধৰ্মগুৰুসকলৰ অধিকাংশই এনে গুণ্ডাগিৰিৰ কাৰ্যক মুকলিকৈ গৰিহণা দিয়াৰ সাহস গোটাব নোৱাৰে।

এনেবোৰ ঘটনাই এই কথা স্পষ্ট কৰি তুলিছে যে হিন্দু ধৰ্মৰ নৈতিক ভেটিটো এতিয়া সংকটৰ সন্মুখীন হৈছে! হিন্দু ধৰ্মৰ ধৰ্মীয় আৰু নৈতিক কৰ্তব্য হ'ব লাগিছিল এনে কু-কৰ্ম আৰু ব্যাভিচাৰৰ মুকলি বিৰোধিতা কৰা, কিন্তু সেই সৎ সাহসকণো এতিয়া হিন্দুত্ববাদীসকলৰ নাই। আটাইতকৈ দুৰ্ভাগ্যজনক কথাটো হ'ল গুণ্ডাগিৰিয়ে ৰাজনৈতিক ক্ষেত্ৰখনত নিজৰ অধিপত্য বিস্তাৰ কৰাৰ দৰে এতিয়া হিন্দু ধৰ্মতো ই এক প্ৰকাৰৰ স্বীকৃতি আৰু স্থান লাভ কৰিছে।

শৈশৱলৈ উভতি চালে মোৰ এতিয়াও মনত পৰে যে সেই সময়ত গুণ্ডাগিৰিৰ ব্যাপক প্ৰভাৱ সত্ত্বেও তাক অনৈতিক বুলি গণ্য কৰা হৈছিল আৰু সমাজত ইয়াৰ কোনো গ্ৰহণযোগ্যতা নাছিল। ইয়াৰ বিপৰীতে আজি আমি যি পৰিস্থিতি চকুৰে দেখিছে, সেই পৰিস্থিতিত গুণ্ডাগিৰি প্ৰায় বৈধ হৈ পৰিছে। আজিৰ সময়ত গুণ্ডাগিৰিক লৈ অধিংকাশ ৰাজনৈতিক দলেই কোনো আপত্তি নকৰে, আনকি সংবাদ মাধ্যমেও ইয়াক লৈ আপত্তি নকৰে।

আমাৰ সংবিধানৰ নিৰ্মাতাসকলে হয়তো এই কথা কেতিয়াও কল্পনা কৰিব পৰা নাছিল যে এই যুগত আমাৰ গণতন্ত্ৰত গুণ্ডাগিৰিৰ ইমান প্ৰভাৱশালী আৰু নিৰ্ণায়ক ভূমিকা থাকিব। বৰ্তমান সময়ত আমাৰ গণতন্ত্ৰ এক পিষ্ট ব্যৱস্থাত পৰিণত হৈছে: এফালে চোৰ-ডকাইতে চেপি ধৰিছে আৰু আনফালে গুণ্ডা বাহিনীয়ে নিজৰ বীভৎস লালসাৰে ইয়াক গিলি পেলাবলৈ চেষ্টা কৰিছে!

(বাজপেয়ী সাহিত্য অকাডেমী বিজয়ী প্ৰসিদ্ধ লেখক। হিন্দীৰ পৰা অনুবাদঃ **পংকজ তৰুণ**)

# বীমাৰ পৰা জিএছটি উঠাই

প্ৰথম পৃষ্ঠাৰ পৰা...

কৰ প্ৰত্যাহাৰৰ প্ৰক্ৰিয়াত এখোজ আগবাঢ়িছে মোদী চৰকাৰ। জানিব পৰা মতে, শেহতীয়াকৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ নেতৃত্বত গঠিত মন্ত্ৰী গোটে এই সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। সূত্ৰ অনুসৰি, জ্যেষ্ঠ নাগৰিকৰ বাহিৰে আন সাধাৰণ গ্ৰাহকৰ বাবে ৫ লাখ টকা পৰ্যন্ত স্বাস্থ্য বীমা কভাৰেজৰ জি এছ টি ৰেহাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে কেবিনেটে। অৱশ্যে ৫ লাখ টকাৰ ওপৰৰ কভাৰেজৰ বাবে স্বাস্থ্য বীমাৰ ক্ষেত্ৰত ১৮ শতাংশ জি এছ টি প্ৰযোজ্য হ'ব। উল্লেখ্য যে, বৰ্তমান জীৱন বীমা টাৰ্ম পলিচি আৰু ফেমিলি ফ্ল'টাৰ পলিচিৰ ক্ষেত্ৰত ১৮ শতাংশ জি এছ টি প্ৰযোজ্য হৈ আছে। মন্ত্ৰী গোটৰ বৈঠকত এই জি এছ টি হাৰ হ্ৰাস কৰা হব নে ৰেহাই দিয়া হব সেই বিষয়ে আলোচনা কৰা হৈছে।
প্ৰণিধানযোগ্য যে, ২০২৪ৰ লোকসভা নিৰ্বাচনৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ পত্ৰ লিখি বীমাৰ ওপৰত প্ৰযোজ্য জি এছ টি প্ৰত্যাহাৰৰ দাবী জনাইছিল পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে। তেওঁৰ উপৰিও জীৱন আৰু স্বাস্থ্য বীমাৰ জি এছ টি হ্ৰাসৰ দাবী দীৰ্ঘদিনৰ পৰা উত্থাপন হৈ আহিছে। এনে পৰিপ্ৰেক্ষিততে ছেপ্টেম্বৰ মাহত বিষয়টোৰ পৰ্যালোচনাৰ বাবে বিহাৰৰ উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীৰ নেতৃত্বত এখন ১৩ জনীয়া মন্ত্ৰী গোট গঠন কৰা হয়। সূত্ৰ অনুসৰি এই মন্ত্ৰী গোটে অক্টোবৰ মাহৰ শেষৰ ফালে কেন্দ্ৰীয় চৰকাৰক তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিব। এই মন্ত্ৰীগোটৰ নেতৃত্ব প্ৰদান কৰা সম্ৰাট চৌধুৰীয়ে কয় যে মন্ত্ৰী গোটৰ প্ৰতিজন সদস্যই ৰাইজৰ স্বাৰ্থত কাম কৰিব বিচাৰে। জ্যেষ্ঠ নাগৰিকৰ ওপৰত তেওঁলোকে বিশেষ গুৰুত্ব প্ৰদান কৰি সিদ্ধান্ত গ্ৰহণ কৰিছে। জি এছ টি পৰিষদত চূড়ান্ত প্ৰতিবেদন দাখিল কৰাৰ পিছত পৰিষদে সিদ্ধান্ত ল'ব। লক্ষণীয় যে, এই সিদ্ধান্তসমূহৰ ফলত সাধাৰণ জনতা আৰু বিশেষকৈ জ্যেষ্ঠ নাগৰিকসকলৰ বাবে বীমাৰ খৰচ হ্ৰাস পোৱাৰ লগতে ইয়ে তেওঁলোকৰ ওপৰত চিকিৎসা ব্যয়ৰ বোজা হ্ৰাস কৰিব।

# বিজেপিৰ প্ৰাৰ্থী ঘোষণা

প্ৰথম পৃষ্ঠাৰ পৰা...

দাস, বিহালী সমষ্টিত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰি সমষ্টিত দীপ্লুৰঞ্জন শৰ্মাক টিকট প্ৰদান কৰা হৈছে। বিহালী বিধানসভা সমষ্টিত বিজেপিৰ পুৰণি কৰ্মী দিগন্ত ঘাটোৱাৰক প্ৰাৰ্থী কৰা হৈছে। দীৰ্ঘ সময়ৰ বিজেপি কৰি আহিছে ঘাটোৱাৰে। চাহ জনগোষ্ঠীৰ চিনাকি চেহেৰা তথা দলৰ হৈ সক্ৰিয় ভূমিকা পালন কৰি আহিছে ঘাটোৱাৰে। আনহাতে চামগুৰি সমষ্টিত যুৱনেতা দীপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। প্ৰায় তিনিগৰাকী নেতাই টিকট বিচাৰিছিল যদিও বিজেপিয়ে দীপ্লুৰঞ্জন শৰ্মাক টিকট দিয়ে। মহেন্দ্ৰ কোঁৱৰেও চামগুৰি সমষ্টিত টিকট বিচাৰিছিল। বৰাকৰ সমষ্টি ধলাইত বিজেপিয়ে নীহাৰ ৰঞ্জন দাসক প্ৰাৰ্থিত্ব দিছে। নিহাৰ ৰঞ্জন দাসক টিকট দিয়াত নাৰাজ হৈছে পুৰণি বিজেপি নেতা অমিয়কান্তি দাস আৰু স্বপন শুক্লবৈদ্য। ধলাইৰ প্ৰাৰ্থীৰূপে নিহাৰ ৰঞ্জন দাসৰ নাম প্ৰকাশৰ পাছতে দলত্যাগৰ কথা ঘোষণা কৰিছে অমিয়কান্তি দাসে। কাছাৰ জিলাৰ বিজেপিৰ উপ-সভাপতি আছিল অমিয়কান্তি দাস। অমিয়কান্তি দাসে দলত্যাগৰ কথা ঘোষণা কৰি ৰাজ্যিক সভাপতিলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে। ১৩ নৱেম্বৰত ভোটদান অনুষ্ঠিত হ'বলগীয়া বিধানসভাৰ উপ-নিৰ্বাচনৰ দলীয় প্ৰাৰ্থী ঘোষণা কৰাত দলৰ একাংশ নেতা এতিয়া অসন্তুষ্ট হৈ পৰা দেখা গৈছে। উল্লেখ্য যে কালি দলত্যাগ কৰিছিল বিহালীৰ টিকট বঞ্চিত জয়ন্ত বৰাই। উল্লেখ্য যে, প্ৰাৰ্থী ঘোষণা কৰাৰ পূৰ্বৰে পৰা টিকট নিশ্চিত বুলি জানি লৈ চামগুৰি সমষ্টিত নিৰ্বাচনী প্ৰচাৰত নামি পৰিছিল দীপ্লুৰঞ্জন শৰ্মাই। ৰকিবুল হুছেইনৰ দুৰ্গখ্যাত এই সমষ্টিটোত দীপ্লুৰঞ্জন শৰ্মাই এইবাৰ সাংসদগৰাকীৰ পুত্ৰ তাঞ্জিল হুছেইনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নামনি অসমত নিশ্চিহ্ন হোৱাৰ

নেতাৰ ৰাজনৈতিক আশা-আকাংক্ষা পূৰণৰ বাবে দলটোক ব্যৱহাৰ কৰা বুলি উত্থাপিত হৈ অহা অভিযোগৰ মাজতে অগপত আৰম্ভ হৈছে গণ বিদ্ৰোহ। ৰাজ্যত দুবাৰকৈ সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰা দলটোৱে নামনি অসমত অস্তিত্বৰ সংকটত পৰিছে। বিজেপিৰ বোকোছাত উঠি প্ৰতিষ্ঠাকালৰ পৰা জড়িত নেতাসকলক হেয় প্ৰতিপন্ন কৰি মুখত আঞ্চলিকতাবাদৰ নাম গাই কেৱল কেইজনমান নেতাই গেৰুৱা ৰাষ্ট্ৰীয় দলটোৰ পৰা কেইখনমান আসন লৈ নিজেই বিধায়ক আৰু মন্ত্ৰী হৈ থকা বুলি চৰ্চা চলি অহাৰ সময়তে অসম গণ পৰিষদ দলটোৱে এতিয়া নামনি অসমত সংকটৰ সন্মুখীন হ'বলগীয়াত পৰিছে। দলটোত এতিয়া উপ-নিৰ্বাচনৰ প্ৰাৰ্থিত্বকেন্দ্ৰিক সংঘাতে ভয়ংকৰ ৰূপ লৈছে। বাৰে বাৰে একেজন নেতা তথা নেতাৰ পৰিয়ালে দলীয় টিকট লাভৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি সমূহীয়াকৈ দল ত্যাগৰ জোৱাৰ উঠিছে বঙাইগাঁও জিলাত। উল্লেখ্য যে, বিগত ৪০ বছৰ ধৰি অগপৰ দখলত আছে নামনি অসমৰ ঐতিহাসিক বঙাইগাঁও সমষ্টি। ২০২১ চনতো অগপৰ প্ৰতিষ্ঠাকালৰ নেতা তথা প্ৰফুল্ল কুমাৰ মহন্তৰ ঘনিষ্ঠ ফণীভূষণ চৌধুৰীয়ে টিকট লাভ কৰি জয়ী হৈছিল। কিন্তু বিগত লোকসভা নিৰ্বাচনত বৰপেটা লোকসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি সাংসদ নিৰ্বাচিত হয় বঙাইগাঁও সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰী। তাৰ পাছতে উপ-নিৰ্বাচনত সমষ্টিটোত অগপৰ টিকট কোনে লাভ কৰিব তাক লৈ সৃষ্টি হৈছিল কৌতূহলৰ। বিজেপিয়ে বঙাইগাঁও সমষ্টি অগপক পুনৰাই এৰি দিয়াত ইতিমধ্যে অগপৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই বঙাইগাঁও সমষ্টি ভ্ৰমণ কৰি দলৰ নেতা-কৰ্মীক উপ-নিৰ্বাচনৰ বাবে সাজু হ'বলৈ আহ্বান জনাইছিল। কিন্তু অতুল বৰা আৰু কেশৱ মহন্তৰ সেই আহ্বান আহ্বান হৈয়েই ৰ'ল। সমষ্টিটোত কেইবাজনো জ্যেষ্ঠ নেতা টিকটৰ দৌৰত আছিল। ৪০ বছৰে ফণীভূষণ চৌধুৰীৰ সৈতে থকা বহু নেতাই নিৰ্বাচনী প্ৰচাৰো চলাই গৈছিল। কিন্তু শেষত অগপৰ কেন্দ্ৰীয় নেতৃত্বই বঙাইগাঁও সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা সাংসদ ফণীভূষণ চৌধুৰীৰ পত্নী দীপ্তিময়ী চৌধুৰীক টিকট দিব বুলি খবৰ প্ৰকাশ পায়। এই খবৰ চূড়ান্ত বুলি প্ৰকাশ পোৱাৰ পাছতে বঙাইগাঁও জিলা অগপত পদত্যাগৰ জোৱাৰ উঠিছে। সাংসদ পত্নী দীপ্তিময়ী চৌধুৰীৰ প্ৰাৰ্থিত্ব কোনো কাৰণতে মানি লোৱা নহ'ব বুলি ঘোষণা কৰে নেতাসকলে। সমষ্টিটোত প্ৰাৰ্থিত্বৰ দাবীদাৰ হিচাপে চৰ্চাত থকা শৈলেন সৰকাৰ আৰু বিজয় সিংহই আজি পদত্যাগ কৰাৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। বঙাইগাওঁ অগপৰ সভাপতি, সম্পাদককে ধৰি মুঠ ৩৬ জন পুৰণি নেতাই পদত্যাগ কৰিছে। পদত্যাগী নেতাসকলৰ ভিতৰত আছে ৫ খন পঞ্চায়তৰ সভাপতি। অগপ দল গঠন হোৱাৰে পৰা জাতীয়তাবাদীৰ অভেদ্য দুৰ্গ হিচাপে খ্যাত বঙাইগাঁও সমষ্টিৰ সুউচ্চ দুৰ্গ যেন খহি পৰিল। জিলা সভাপতি বিজয় সিংহ, জিলা সাধৰণ সম্পাদক তথা প্ৰাৰ্থীত্বৰ দাবীদাৰ শৈলেন্দ্ৰ সৰকাৰসহ ৩৬গৰাকী নেতাই জিলা বিধান সভা সমিতিৰ যোগে কেন্দ্ৰীয় সমিতিলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে। তাৰ লগে লগে বঙাইগাঁও অগপ দুটা ভাগত বিভক্ত হৈ পৰিল। উপ-নিৰ্বাচনৰ বাবে প্ৰাৰ্থিত্ব কেন্দ্ৰিক সংঘাত, মতানক্যই আজি চূড়ান্ত ৰূপ লয় আৰু দলৰ প্ৰাথমিক সদস্যৰ পৰাও পদত্যাগ কৰে নেতা-কৰ্মীসকলে। প্ৰাক্তন বিধায়ক তথা বৰ্তমানৰ বৰপেটা লোকসভা সমষ্টিৰ সাংসদ চৌধুৰীয়ে সুদীৰ্ঘ দিন ধৰি একনায়কত্ববাদ চলাই অহাৰ অভিযোগ আনিছে এইসকল নেতাই। সমষ্টিৰ লগতে জিলাখনত দলৰ কোনো এগৰাকী নিষ্ঠাৱান কৰ্মীক নেতা হ'বলৈ সুবিধা দিয়া নাছিল। যি গৰাকী কৰ্মীয়েই নেতাৰ আসনত বহিব খোজে সেইগৰাকী নেতাৰেই ভৰিৰ তলৰ মাটি শেষ কৰি অহাৰ অভিযোগ উত্থাপন হৈ আহিছে। প্ৰাক্তন বিধাযকৰ একালৰ সতীৰ্থ, অসম আন্দোলনৰ গুৰিধৰোতা, সমজকৰ্মী আৰু প্ৰাক্তন পৌৰপতি প্ৰভাত বৈষ্ণৱ আৰু বলিষ্ঠ নেতা, প্ৰাক্তন পৌৰপতি দীপু চৌধুৰীৰ কেৰিয়াৰ শেষ কৰাৰ অভিযোগ উঠি আহিছে এতিয়াৰ সাংসদ ফণীৰ বিৰুদ্ধে। এনে পৰিপ্ৰেক্ষিততে আজি বঙাইগাঁও আঞ্চলিক সমিতিৰ সভাপতি তিলক নাৰায়ণ দেৱ, বঙাইগাঁও নগৰ আঞ্চলিক সমিতিৰ সভাপতি খৰ্গেশ্বৰ ৰায়, সম্পাদক মতিন চৌধুৰী, ঢালিগাঁও আঞ্চলিক সমিতিৰ সভাপতি গৌৰী শংকৰ বৰ্মন, ছিপনছিলা আঞ্চলিক সমিতিৰ সভাপতি-সম্পাদক, নৰ্থ বইটামাৰী আঞ্চলিকৰ সভাপতি-সম্পাদক, চোকাপাৰা আঞ্চলিক সমিতিৰ বিষয়-ববীয়া, উত্তৰ বঙাইগাঁও আঞ্চলিক আৰু বঙাইগাঁও পৌৰ সভাৰ দুগৰাকীকৈ ৱাৰ্ড সদস্যকে ধৰি মুঠ ৩৬গৰাকী নেতাই দলৰ পৰা পদত্যাগ কৰিছে। সাংসদ পত্নী দীপ্তিময়ী চৌধুৰীক বঙাইগাঁও সমষ্টিত দলীয় টিকট দিয়াৰ বিৰুদ্ধাচৰণ কৰি দলৰ প্ৰাথমিক সদস্য পদ ত্যাগ কৰা বুলি উল্লেখ কৰে নেতাসকলে। এনেদৰে নেতাই পদত্যাগৰ পিছতে সাংসদগৰাকীৰ মূৰত সৰগ ভাগি পৰিছে। অগপৰ দুৰ্গ বঙাইগাঁও সমষ্টিত উপ-নিৰ্বাচনৰ প্ৰাকক্ষণত দলৰ মজিয়াত হাহাকাৰ লাগিছে। অগপ দলৰ প্ৰাৰ্থিত্বৰ দাবীদাৰ তথা সম্পাদকগৰাকীয়ে যে নিৰ্দলীয়ভাৱে প্ৰতিদ্বন্দ্বিতা কৰিব সেয়াও স্পষ্ট হৈ পৰিছে। উল্লেখ্য যে, অগপৰ জিলা সমিতিখন ভংগ হৈ পৰাৰ লগে লগে নতুন সমিতি গঠনৰ বাবে উঠি-পৰি লাগিছে একাংশ নেতা। ইফালে ১৩ জনীয়া নিৰ্বাচনী প্ৰাৰ্থী বাচনি সমিতিখনে আজি কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰিছিল যদিও মুঠ ১৯ খন আঞ্চলিক সমিতিৰ সভাপতি-সম্পাদকসকলৰ বেছিভাগেই উপস্থিত নাথাকিল। এনে পৰিস্থিতিত সমষ্টিটোত অগপ নেতৃত্বই প্ৰাৰ্থিত্বকেন্দ্ৰিক সংঘাতৰ সৈতে কিদৰে মোকাবিলা কৰিব আৰু বিৰোধী কংগ্ৰেছে কেনেধৰণে ইয়াৰ সুযোগ গ্ৰহণ কৰে সেয়া লক্ষণীয় হৈ পৰিছে।

# উপ-নিৰ্বাচনত পাঁচটা সমষ্টিতে জয়লাভ কৰিব মিত্ৰজোঁটৰ প্ৰাৰ্থীয়েঃ লৰেন্স

**ই-সংবাদ, কোকৰাঝাৰ, ১৯ অক্টোবৰঃ** চিদলী সমষ্টিৰ উপ-নিৰ্বাচনক লৈ ইউপিপিএল দলে ব্যাপক নিৰ্বাচনী কুচকাৱাজ অব্যাহত ৰাখিছে। বৰ্তমানলৈকে ইউপিপিএল দলে প্ৰাৰ্থীত্ব ঘোষণা কৰা নাই যদিও ইতিমধ্যে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছে। কালি কোকৰাঝাৰ জিলাৰ তথা চিদলী বিধানসভা সমষ্টিৰ অন্তৰ্গত ছালাকাটিত ইউপিপিএল ,অগপ আৰু বিজেপিৰ যৌথ বৈঠক সম্পন্ন হোৱাৰ পিছত আজি জিলাখনৰ কালিপুখুৰী ভিচিডিচিৰ অন্তৰ্গত লালটাৰী আৰু শিমলাগুৰী গাঁৱত ইউপিপিএলৰ নিৰ্বাচনী সভা অনুষ্ঠিত হয়। ইউপিপিএলৰ সম্পাদক তথা আক্ৰাছুৰ প্ৰাক্তন সভাপতি অৰুণ ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত হোৱা নিৰ্বাচনী সভাত কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰী উপস্থিত থাকে। নিজৰ ভাষণ প্ৰসংগত লৰেঞ্চ ইছলাৰীয়ে কয় যে বিজেপি-ইউপিপিএল-অগপ মিত্ৰজোঁটে ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অনুষ্ঠিত হবলগীয়া উপ-নিৰ্বাচনত জয়লাভ কৰিব। সাধাৰণতে ভোটাৰে উপ-নিৰ্বাচনত শাসকীয় চৰকাৰৰ সপক্ষেই ভোটদান কৰে আৰু এইবেলিও তাৰ ব্যতিক্ৰম নহ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যত প্ৰভূত উন্নয়ন সাধন হৈছে আৰু বিটিআৰত এতিয়া শান্তি বিৰাজ কৰিছে বুলি মন্তব্য কৰিছে বিধায়ক লৰেঞ্চ ইছলাৰীয়ে। বিটিআৰ চুক্তি সম্পন্ন হোৱাৰ পিছতে একালৰ সংঘৰ্ষপীড়িত অঞ্চলটোলৈ শান্তি ঘূৰি আহিল আৰু এতিয়া বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ নেতৃত্বত সমগ্ৰ বিটিআৰতে উন্নয়নৰ ধাৰা অব্যাহত আছে বুলি মন্তব্য কৰি বিধায়কগৰাকী কয় যে বিটিআৰত এতিয়া মাটি-বাৰীৰ সমস্যাও দুৰ হৈছে। সকলো জাতি-জনগোষ্ঠীয়ে সমিলমিলেৰে বসৱাস কৰা বিটিআৰৰ কেন্দ্ৰস্থল কোকৰাঝাৰ এতিয়া শান্তিৰ নগৰ হিচাপে পৰিচিত বুলি মন্তব্য কৰি বিধায়ক লৰেঞ্চ ইছলাৰীয়ে চিদলী বিধানসভা সমষ্টিৰ প্ৰাৰ্থী দুই-এদিনতে ঘোষণা কৰা হ'ব আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীক ভোট দি বিপুল ভোটত জয়ী কৰাবলৈ আহ্বান জনাইছে বিধায়ক লৰেঞ্চ ইছলাৰীয়ে। উল্লেখ্য যে সমষ্টিটো নিজৰ দখলত ৰাখিবলৈ ইউপিপিএলে দিনে-নিশাই প্ৰচাৰ চলাই গৈছে।

# পূৰ্ণ ৰাজ্যৰ দিশে অগ্ৰসৰ

প্ৰথম পৃষ্ঠাৰ পৰা...

অনুমোদন জনাইছে জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাইও। শনিবাৰে এই তথ্য সদৰী কৰিছে কেন্দ্ৰীয় শাসিত অঞ্চল দুখনৰ জনসংযোগ বিভাগে। উল্লেখ্য যে, চৰকাৰৰ এগৰাকী মুখপাত্ৰই জানিবলৈ দিয়া মতে, যোৱা বৃহস্পতিবাৰে ওমৰ আব্দুল্লাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত ৰাজ্যখনৰ মূল মৰ্যাদা পুনৰ ঘূৰাই অনাৰ প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গৃহীত কৰা হয়। ইয়াৰ পিছতে কেবিনেটৰ প্ৰস্তাৱত অনুমোদন জনায় উপ-ৰাজ্যপাল মনোজ সিনহাই। চৰকাৰী বিষয়াগৰাকীয়ে লগতে কয় যে জম্মু-কাশ্মীৰৰ পূৰ্ণ মৰ্যাদা পুনৰুদ্ধাৰে এক সংস্কাৰ প্ৰক্ৰিয়াৰ সূচনা কৰিব, যাৰ ফলত সাংবিধানিক অধিকাৰ পুনৰুদ্ধাৰ হ'ব আৰু জম্মু-কাশ্মীৰৰ জনসাধাৰণৰ পৰিচয় সুৰক্ষিত হ'ব। ৰাজ্যখনৰ মৰ্যাদা পুনৰুদ্ধাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰত চৰকাৰৰ সৈতে বিষয়টো উত্থাপন কৰাৰ বাবে কেবিনেট বৈঠকত মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাক অনুমতি প্ৰদান কৰা হৈছে বুলিও তেওঁ কয়। ইফালে জম্মু-কাশ্মীৰৰ বিশেষ পৰিচয় আৰু জনসাধাৰণৰ সাংবিধানিক অধিকাৰ সুৰক্ষিত কৰাটোৱেই নৱনিৰ্বাচিত চৰকাৰৰ নীতিৰ আধাৰ বুলি চৰকাৰৰ মুখপাত্ৰগৰাকীয়ে কয়। আগন্তুক দিনত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীসকলক সাক্ষাৎ কৰিবলৈ নতুন দিল্লী ভ্ৰমণ কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। ইয়াৰোপৰি অহা ৪ নৱেম্বৰত শ্ৰীনগৰত বিধানসভাৰ বিশেষ অধিৱেশন আহ্বান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে কেবিনেটে। উপ-ৰাজ্যপালক অধিৱেশনলৈ মাতি আনি তেওঁক সম্বোধন কৰিবলৈ অনুৰোধ জনোৱা হয়। প্ৰথম অধিৱেশনৰ বাবে বিধানসভাত উপ-ৰাজ্যপালৰ ভাষণৰ খচৰা কেবিনেটত দাখিল কৰা হৈছে। কেবিনেটে সিদ্ধান্ত লয় যে ইয়াৰ ওপৰত আলোচনা কৰা হ'ব। শুকুৰবাৰে ৰাজনৈতিক দলসমূহে কয় যে এই প্ৰস্তাৱত কেৱল ৰাষ্ট্ৰৰ কথাহে উল্লেখ কৰা হৈছে যদিও ৩৭০ নং অনুচ্ছেদৰ কোনো উল্লেখ নাই। তেওঁলোকে এই প্ৰস্তাৱক 'সম্পূৰ্ণ আত্মসমৰ্পণ' আৰু শাসকীয় নেশ্যনেল কনফাৰেন্সৰ স্থিতিৰ বিপৰীত বুলি অভিহিত কৰে। পিপলছ ডেম'ক্ৰেটিক পাৰ্টি (পিডিপি), পিপলছ কনফাৰেন্স (পিচি) আৰু আৱামী ইত্তেহাদ পাৰ্টি (এআইপি)কে ধৰি বিভিন্ন ৰাজনৈতিক দলে এই পদক্ষেপক গৰিহণা দি শাসকীয় নেশ্যনেল কনফাৰেন্সক ৩৭০ অনুচ্ছেদ পুনৰুদ্ধাৰৰ বাবে তেওঁলোকে কৰা প্ৰতিশ্ৰুতিৰ কথা সোঁৱৰাই দিয়ে।

# দুমাহত পাঁচ দিন ৰাতি ৰাতি

প্ৰথম পৃষ্ঠাৰ পৰা...

বিজেপিৰ সহ-তত্বাৱধায়ক। যাৰ পৰিণতিত দীৰ্ঘ সময়ৰ পৰা প্ৰায়ে ঝাৰখণ্ডত ব্যস্ত থকা মুখ্যমন্ত্ৰীগৰাকীয়ে আজিকালি গুৱাহাটীত থকাৰ সময়ত নিশাৰ ভাগত ফেচবুক লাইভ আহি ৰাইজৰ সৈতে মনৰ কথা কোৱাৰ প্ৰয়াস কৰি আহিছে। দুমাহ পূৰ্বে যোৱা ১৩ আগষ্টৰ পৰা প্ৰথমবাৰৰ বাবে সঘনাই নিশা ৯ বজাৰ পিছত ফেচবুক লাইভ কৰিবলৈ আৰম্ভ কৰিছিল মুখ্যমন্ত্ৰীগৰাকীয়ে। তেতিয়াৰে পৰা এতিয়ালৈকে ৰাতি ৰাতি মোবাইলযোগেই ৫ দিন ফেচবুক লাইভ কৰিছে মুখ্যমন্ত্ৰীগৰাকীয়ে। ১৩ আগষ্টৰ নিশা ৯ বাজি ১৭ মিনিটত ২৭ মিনিট ৩৬ ছেকেণ্ডৰ বাবে ফেচবুক লাইভ কৰিছিল। সেই লাইভটোৱে এই বাতৰি লিখা পৰলৈকে ১ মিলিয়ন ভিউজ লাভ কৰিছে। দ্বিতীয়টো লাইভ কৰিছিল ২১ ছেপ্টেম্বৰৰ নিশা ৯ বাজি ৪২ মিনিটত। ২৪ মিনিট ৪৭ ছেকেণ্ডৰ এই লাইভটো চাইছে ৪ মিলিয়ন লোকে। তৃতীয়টো লাইভ কৰিছিল ২৮ ছেপ্টেম্বৰত নিশা ১১ বাজি ১৯ মিনিটত। এই লাইভটোৰ বিষয় আছিল এডিআৰই পৰীক্ষা বিষয়ক। ২৮ মিনিট ১৩ ছেকেণ্ডৰ এই নৈশ লাইভ ভিডিঅ'টোৱে আটাইকেইটা নৈশ লাইভ ভিডিঅ'ৰ ভিতৰত সৰ্বাধিক ৪.৪ মিলিয়ন ভিউজ লাভ কৰিছে। চতুৰ্থটো লাইভ কৰিছিল যোৱা ৩ অক্টোবৰত নিশা ১০ বাজি ৩৪ মিনিটত। ২৬ মিনিট ২২ ছেকেণ্ডৰ এই ভিডিঅ'টোৱে ২.৯ মিলিয়ন ভিউজ পাইছে। উক্ত নৈশ লাইভবোৰৰ দৰে কালিও মুখ্যমন্ত্ৰীগৰাকীয়ে নিশা ১০ বাজি ৩৩ মিনিটত ফেচবুকত লাইভ আহে। লাইভটোত ২৩ মিনিট ৯ ছেকেণ্ড ধৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও বিষয়ক লৈ চৰ্চা কৰে। মুখ্যমন্ত্ৰীয়ে মিছন বসুন্ধৰা ৩.০, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম, ভাষা গৌৰৱ সপ্তাহ, ঝুমুৰ নৃত্যৰ বিশাল আয়োজন আদি বিষয়ক লৈ মন্তব্য প্ৰদান কৰে। ৰাজ্যৰ ৫ সমষ্টিৰ উপ-নিৰ্বাচনক লৈও বিশেষ মন্তব্য প্ৰজান কৰে। চিদলী, বঙাইগাঁও, বিহালী, ধলাই আৰু চামগুৰিৰ উপনিৰ্বাচনত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰি মিত্ৰজোঁটৰ তিনি মুখ্য দল ইউপিপিএল, অগপ আৰু বিজেপিৰ দলৰ নেতা-কৰ্মীক ৰাইজৰ ওচৰলৈ গৈ সেৱাৰ মনোভাৱেৰে চৰকাৰে গ্ৰহণ কৰা কাম-কাজসমূহৰ বিষয়ে বুজাবলৈ অনুৰোধ জনায় যাতে বিজেপিয়ে উপ-নিৰ্বাচনত সুন্দৰ ফলাফল লাভ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ অধীনৰ চৰকাৰী চাকৰিয়ালৰ প্ৰসংগ টানি অনি কয় যে কৰ্মচাৰীসকলৰ মৰগীয়া বানচ বৃদ্ধি কৰা হ'ব। মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধি কৰাৰ ঘোষণা কৰে। লগতে কালি উদ্বোধন কৰা মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসমৰ প্ৰসংগক লৈ মন্তব্য প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় সংস্কৰণ আৰম্ভ হোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আগতে ২৫ হাজাৰ যুৱক-যুৱতীক আমি ২ লাখ টকাৰ আৰ্থিক সাহায্যৰ প্ৰথম কিস্তিৰ ৭৫ হাজাৰ টকা আগবঢ়োৱা হৈছে। এতিয়া দ্বিতীয় সংস্কৰণ আৰম্ভ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে বিশেষ ঘোষণা কৰি কয় যে এইবছৰেই ১ লাখ যুৱক-যুৱতীক আঁচনিখনৰ অধীনলৈ অনা হ'ব। ৭৫ হাজাৰ যুৱক-যুৱতীৰ আবেদনৰ বাবে পৰ্টেল মুকলি কৰা হৈছে। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা কৰাত পালন কৰিবলগীয়া ভাষা গৌৰৱ সপ্তাহক লৈ মুখ্যমন্ত্ৰীয়ে বিশেষ মন্তব্য প্ৰদান কৰে। ৩-৯ নৱেম্বৰলৈ পালন কৰিবলগীয়া ভাষা গৌৰৱ সপ্তাহক লৈ ভাষা বিষয়ত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব বুলি কয়। অসমৰ চৰকাৰী ভাষা অসমীয়া আৰু সহযোগী ভাষা বড়ো, বাংলা, মণিপুৰী বুলি কোৱাৰ লগতে ৰাষ্ট্ৰীয় ভাষা হিন্দী আৰু ইংৰাজীও চৰকাৰী কামত ব্যৱহাৰ কৰো বুলি কয় ড০ শৰ্মাই। নৰেন্দ্ৰ মোদীয়ে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিলে তাৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জনাই একোখনকৈ পত্ৰ লিখিম ভাষাটোলৈ বৰঙণি আগবঢ়োৱাসকলক সোঁৱৰণ কৰিম বুলি কয় মুখ্যমন্ত্ৰীগৰাকীয়ে। বিজেপিৰ সদস্য ভৰ্তি অভিযান সফল হোৱাত গদগদ হয় মুখ্যমন্ত্ৰী। ডেৰ মাহতে ৬০ লাখ সদস্য ভৰ্তি হোৱাৰ লগতে ১০০টা সমষ্টিত ৪০ হাজাৰৰো অধিক লোকে সদস্যতা গ্ৰহণ কৰা দলৰ নেতা-কৰ্মীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এয়া এটা ৰাজনৈতিক দলৰ বাবে অনন্য কৃতিত্ব। হাৰিয়ানাৰ ফলাফল আৰু সদস্য ভৰ্তি অভিযানে অদ্ভুত শক্তি দিলে বুলি কয় মুখ্যমন্ত্ৰীয়ে। আনহাতে চাহ জনগোষ্ঠীৰ ভোটাৰক আকৰ্ষিত কৰিবলৈ তথা ৰেকৰ্ড গঢ়িবলৈ হাতত লোৱা ঝুমুৰ নৃত্যক লৈ মন্তব্য দিয়ে। বিগত চাৰে তিনিটা বছৰ অসমৰ বাবে স্বৰ্ণিমকাল। গুৱাহাটীত বহাগ বিহু প্ৰদৰ্শন কৰাৰ দৰেই ঝুমুৰ নৃত্য ৮-১০ হাজাৰ শিল্পীয়ে প্ৰদৰ্শন কৰিব। ঝুমুৰ নৃত্যকো বিশ্বৰ দৰবাৰলৈ নিয়াৰ প্ৰয়াস কৰিম। ২০ অক্টোবৰত মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণ আৰম্ভ কৰা হ'ব। প্ৰথম দুটা সংস্কৰণৰ যোগেদি ১০ লাখতকৈ অধিক পৰিয়ালে নিজৰ ভূমিৰ ওপৰত অধিকাৰ লাভ কৰিলে। তৃতীয় সংস্কৰণত যিসকলে এতিয়ালৈ ভূমিৰ অধিকাৰ লাভ কৰা নাই তেওঁলোকক ভূমিৰ অধিকাৰ দিয়াৰ প্ৰয়াস কৰা হ'ব। ব্যক্তিগত পৰিয়ালৰ মাটিৰ উপৰি সামাজিক অনুষ্ঠান সমূহক মাটিৰ পট্টা প্ৰদানৰ ওপৰত গুৰুত্ব দিয়া হ'ব বুলি কয় মুখ্যমন্ত্ৰীয়ে। এডিআৰই পৰীক্ষা সন্দৰ্ভত মুখ্যমন্ত্ৰী কয় যে এডিআৰইৰ শেষৰটো পৰীক্ষা চতুৰ্থ শ্ৰেণীৰ বাবে ২৭ অক্টোবৰত অনুষ্ঠিত হ'ব। দুটা কেটেগৰীত মেট্ৰিক উত্তীৰ্ণসকলে এটা পৰীক্ষাত বহিব আৰু মেট্ৰিকৰ তলৰ সকলে আন এটা পৰীক্ষাত বহিব। একাধিক গুৰুত্বপূৰ্ণ বিষয়ক লৈ কৰা এই পঞ্চমটো নৈশ লাইভ ভিডিঅ'ই এই পৰ্যন্ত ৩.৩ মিলিয়ন ভিউজ অতিক্ৰম কৰিছে। এনেদৰে এতিয়া ৰাতি ৰাতি ফেচবুকত লাইভ আহি কেইঘণ্টমানৰ ভিতৰতে মিলিয়ন মিলিয়ন ভিউজ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ আগশাৰীৰ ইউটিউবাৰ, ব্লগাৰসকলক ক'ৰবাতে পিছ পৰি থাকিবলৈ বাধ্য কৰি তোলা দেখা গৈছে। উল্লেখ্য যে ফেচবুকত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভেৰিফাইড পেজটোত আছে ২.২ মিলিয়ন ফল'ৱাৰ্ছ। আনহাতে মুখ্যমন্ত্ৰীয়ে ফলো কৰিছে মাত্ৰ ২৬ জনক।

# কংগ্ৰেছে কঁপালে ৰূপহী

■ প্ৰথম পৃষ্ঠাৰ পৰা...

কংগ্ৰেছৰ নেতা-কৰ্মীয়ে ৰেলী কৰা গৈ থকাৰ সময়তে বিজেপিৰ নেতা-কৰ্মীয়ে ৰেলীত আক্ৰমণ কৰাৰ ঘটনাই চেপা উত্তেজনা বিৰাজ কৰিছে। সমানে ৰকিবুল হুছেইন আৰু মন্ত্ৰী পীযুষ হাজৰিকাৰ বাকযুদ্ধই ভয়ংকৰ ৰূপ লোৱাৰ সময়তে আজি চামগুৰিত ৰাজপথলৈ ওলাই আহে শ-শ কংগ্ৰেছৰ নেতা-কৰ্মী। কেইবা শতাধিক নেতা-কৰ্মীয়ে প্ৰতিবাদ সাব্যস্ত কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ কংগ্ৰেছৰ নেতা-কৰ্মী ৰাজপথলৈ ওলাই আহি আকাশ-বতাহ কপাই তোলে। বিজেপিৰ গুণ্ডাক গ্ৰেপ্তাৰ কৰক, কংগ্ৰেছ কৰ্মীক আক্ৰমণকাৰীক গ্ৰেপ্তাৰ কৰক, মহিলা বিধায়িকাক আক্ৰমণ কৰা গুণ্ডাক গ্ৰেপ্তাৰ কৰক, বিজেপি হুছিয়াৰ, বিজেপি হায়ঃ হায়ঃ আদি শ্ল'গানেৰে ৰাজপথ কপাই তোলে কংগ্ৰেছৰ নেতা-কৰ্মীয়ে। চামগুৰি সমষ্টিৰ অন্তৰ্গত ৰূপহীহাটত কংগ্ৰেছৰ কৰ্মীক আক্ৰমণ কৰা অভিযুক্তসকলক গ্ৰেপ্তাৰত আৰক্ষীৰ নিষ্ক্ৰিয়তাক লৈ অভিযোগ উত্থাপন কৰি শ শ কংগ্ৰেছ কৰ্মী আৰু সমৰ্থকে প্ৰতিবাদ সাব্যস্ত কৰে। ৰূপহীহাট কংগ্ৰেছৰ কাৰ্যালয়ৰ পৰা উলিওৱা সমদলকাৰীয়ে ৰূপহীহাট আৰক্ষী থানাত উপস্থিত হৈ থানাখন ঘেৰাও কৰাৰ পৰিকল্পনা কৰিছিল। কিন্তু আৰক্ষীয়ে আদবাটতে কংগ্ৰেছ কৰ্মীসকলক বাধা দি বেৰিকেড স্থাপন কৰিছিল। ৰূপহীহাট কংগ্ৰেছৰ কাৰ্যালয়ৰ পৰা উলিওৱা প্ৰতিবাদী সমদলত প্লেকাৰ্ড হাতত লৈ চৰকাৰ বিৰোধী শ্ল'গান দিয়ে অসম প্ৰদেশ কংগ্ৰেছ কেইবাজনো শীৰ্ষ নেতাই। আৰক্ষী থানাত উপস্থিত হ'ব নোৱাৰা প্ৰতিবাদকাৰীসকলে বিজেপি কৰ্মীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবীত কংগ্ৰেছ কাৰ্যালয়তে প্ৰদৰ্শন কৰে। প্ৰতিবাদী কাৰ্যসূচীত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা, ধুবীৰ সাংসদ ৰকিবুল হুছেইন, নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ, বিধায়ক শিৰামণি বৰা, ৰেকিবুদ্দিন আহমেদ উপস্থিত থাকে। ভূপেন কুমাৰ বৰাই বিজেপি দল আৰু অসম আৰক্ষীৰ বিৰুদ্ধে সৰৱ হয়। ভূপেন কুমাৰ বৰাই কয় যে অপৰাধীসকলৰ বিৰুদ্ধে এজাহাৰ পঞ্জীয়ন কৰা স্বত্বেও আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আমি দুখিত যে আনুষ্ঠানিক অভিযোগ দাখিল কৰা হৈছে। নগাঁৱৰ আৰক্ষী অধীক্ষক স্বপ্নানীল ডেকাক সাক্ষাৎ কৰা হৈছে। আৰক্ষী সঞ্চালক প্ৰধান জিপি সিং আৰু মুখ্য সচিব ৰবি কোটালৈ পত্ৰ প্ৰেৰণ কৰাৰ পিছতো এতিয়ালৈকে অপৰাধীসকলৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা হোৱা নাই। পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিৰোধী দল হিচাপে কংগ্ৰেছৰ গণতান্ত্ৰিক অধিকাৰ প্ৰতিবাদ কৰাৰ বাহিৰে কোনো উপায় নাই। প্ৰধান বিৰোধী হিচাপে প্ৰতিবাদ কৰাৰ বাহিৰে আমাৰ ওচৰত কোনো বিকল্প নাই। আমি বিজেপিয়ে ভয় খোৱাৰ কৌশলৰ দ্বাৰা ভয় খোৱা নাই। আমি স্বাধীনতাৰ বহু আগতে অন্যায়ৰ বিৰুদ্ধে যুঁজ দি আহিছো। নতুন প্ৰজন্মৰ কংগ্ৰেছ নেতাসকলেও নিজকে ৰক্ষা কৰিব জান বুলি কয় ভূপেন বৰাই। ১৬ অক্টোবৰত প্ৰদেশ কংগ্ৰেছে অভিযোগ কৰি কৈছিল যে নগাঁৱৰ এছপি ডেকা আৰু শীৰ্ষ বিষয়াসকল শাসকীয় বিজেপিৰ প্ৰতি পক্ষপাতিত্বমূলক ব্যৱহাৰ কৰিছে। ইফালে এছ পি ডেকাই কংগ্ৰেছৰ নিষ্ক্ৰিয়তাৰ অভিযোগক ভিত্তিহীন আৰু মিছা বুলি খাৰিজ কৰিছে। সংঘৰ্ষ সন্দৰ্ভত ৯ জন ব্যক্তিক গ্ৰেপ্তাৰ কৰা বুলি কয় এছ পি ডেকাই। উল্লেখ্য যে, ১৫ অক্টোবৰত কংগ্ৰেছৰ ৰেলীৰ সময়ত আৰু বিজেপিৰ কৰ্মীয়ে হিংসাত্মক সংঘৰ্ষত লিপ্ত হৈছিল। এই বিবাদৰ পিছত ধুবুৰীৰ সাংসদ তথা চামাগুৰিৰ প্ৰাক্তন বিধায়ক ৰকিবুল হুছেইন, ৰূপহিহাটৰ বিধায়ক নুৰুল হুদা আৰু বটদ্ৰৱাৰ বিধায়ক শিৰামণি বৰাই বিজেপি নেতা মুজিবুৰ ৰহমান আৰু আন ৫০ জনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছিল।

# এপিএছচিৰ ফলাফল ঘোষণা

■ প্ৰথম পৃষ্ঠাৰ পৰা...

আয়োগৰ মূল লিখিত পৰীক্ষাৰ ফলাফল। আজি লোকসেৱা আয়োগৰ অফিচিয়েল পৰ্টেলত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। পৰ্টেলত উল্লেখ কৰা মতে, মূল পৰীক্ষাত ৭১১গৰাকী পৰীক্ষাৰ্থী সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। অসম লোকসেৱা আয়োগৰ মূল পৰীক্ষাত উত্তীৰ্ণ ৭১১গৰাকী পৰীক্ষাৰ্থীয়ে ১৩ নৱেম্বৰত সাক্ষাতকাৰত অংশগ্ৰহণ কৰিব লাগিব। সাক্ষাৎকাৰক লৈ শীঘ্ৰে জাননী জাৰি কৰিব অসম লোকসেৱা আয়োগ কৰ্তৃপক্ষই। উল্লেখ্য যে, ৰাজপত্ৰিত বিষয়াৰ পদবী সহ ৰাজ্য চৰকাৰে প্ৰায় চাৰি শতাধিক পদবীৰ বাবে ২৬, ২৭ আৰু ২৮ জুলাইত অনুষ্ঠিত কৰিছিল মূল পৰীক্ষা। মূল পৰীক্ষাত অৱতীৰ্ণ হৈছিল ২,৮৯৮ গৰাকী পৰিক্ষাৰ্থী। ব্যাপক নিৰাপত্তা ব্যৱস্থাৰ মাজত অনুষ্ঠিত হৈছিল। অৱশেষত আজি ফলাফল ঘোষণা কৰাত এতিয়া ৭১১ গৰাকীৰ মুখত বিৰিঙিছে হাঁহি।

# জুৰোডত গৰিমাৰ বাহন দুৰ্ঘটনাগ্ৰস্ত

**ই-সংবাদ, ১৯অক্টোবৰঃ** গুৱাহাটী মহানগৰীত দুৰ্ঘটনাত পতিত হৈছে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ। গৰিমা শইকীয়া গাৰ্গৰ বৈ থকা গাড়ীত অন্য এখন বাহনে খুন্দা মৰাৰ ফলত সামন্য আঘাতপ্ৰাপ্ত হয়। আৰ জি বৰুৱা ৰোডৰ সুন্দৰপুৰত গৰিমা শইকীয়াৰ বাহনৰ পিছফালে এখন ছুইফট ডিজেয়াৰে খুন্দা মাৰে। ফলত গৰিমা শইকীয়াৰ বাহনখনৰ যথেষ্ট ক্ষতি হয়। ভিতৰত বহি থকা গৰিমা শইকীয়া কিছু আঘাতপায়। আঘাত সামন্য বুলি জানিব পৰা গৈছে। গৰিমাই কাহিলীপাৰাৰ পৰা চানমাৰি অভিমুখে গৈ থকাৰ সময়তে এই দুৰ্ঘটনা সংঘটিত হয়। এই ঘটনাৰ পাছতে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। কিয়নো গৰিমাৰ বাহনত খুন্দা মৰা ছুইফট ডিজেয়াৰখনক পিছফালৰ পৰা খুন্দিয়াইছিল আন এখন আই-২০ বাহনে। কিছু সময় পাছতে দিছপুৰ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।



# উৰিয়ামঘাট থানা কমাণ্ডো চেম্পিয়ন

**ই-সংবাদ, সৰুপথাৰ, ১৯ অক্টোবৰঃ** থাইগেৰগুৰি চান ক্লাবৰ উদ্যোগত প্ৰথম বাৰ্ষিক বাম্পাৰ প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ আজি সফল সামৰণি পৰে। বিভিন্ন প্ৰান্তৰ মুঠ ২২ টা ফুটবল দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিত চিলনীজান ফুটবল ক্লাৱ আৰু উৰিয়ামঘাট থানা কমাণ্ডো ফুটবল এছ'চিয়েছনৰ মাজত অনুষ্ঠিত হয়। সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে উদ্বোধন কৰা চূড়ান্ত খেলখনত উৰিয়ামঘাট থানা কামাণ্ডো ফুটবল একাডেমীয়ে জয় লাভ কৰিবলৈ সক্ষম হয়। খেলখনত নিৰ্দিষ্ট সময়লৈকে ১-১ গ'লত অমীমাংসিত হৈ ৰোৱাত টাই-ব্ৰেকাৰত উৰিয়ামঘাট থানা একাডেমীয়ে জয়লাভ কৰিবলৈ সক্ষম হয়। খেলৰ শেষত দুৰ্দান্ত প্ৰদৰ্শন আগবঢ়োৱা হৰিশ এক্কাক শ্ৰেষ্ঠ খেলুৱৈ, আকাশ কাঁৱাৰক শ্ৰেষ্ঠ গ'লৰক্ষক, লক্ষীৰাম কিছকুক সৰ্বোচ্ছ গ'ল দিওঁতাৰ পুৰস্কাৰেৰে সন্মানিত কৰা হয়।

# আমগুৰিত ডাম্পাৰৰ দৌৰাত্ম্য, নীৰৱ প্ৰশাসন




**ই-সংবাদ, আমগুৰি ১৯ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ আমগুৰি নগৰত বৃদ্ধি পাইছে ডাম্পাৰৰ দৌৰাত্ম্য। বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে চাকৰিয়াল, ব্যৱসায়ী, কৃষকে যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিছে। ডাম্পাৰৰ উপদ্ৰৱৰ ফলত গৰ্ভৱতী মহিলা আৰু জটিল ৰোগত আক্ৰান্ত লোকক চিকিৎসালয়লৈ নিয়াৰ ক্ষেত্ৰত যমৰ-যাতনা ভুগিবলগীয়া হয়। চাৰিলেণ্ড যুক্ত পথ নিৰ্মাণৰ বাবে নাগালেণ্ডৰ পৰা প্ৰতিদিনে মাটি কঢ়িওৱা ডাম্পাৰে সঘনাই দুৰ্ঘটনা সংঘটিত কৰি আহিছে। কালি সন্ধিয়া আমগুৰি নগৰৰ লাহতি তেল ডিপুৰ সন্মুখত প্ৰায় ২০ৰ পৰা ৩০ খন ডাম্পাৰে অতপালি আৰম্ভ কৰি প্ৰায় আধা ঘণ্টা যান-বাহনৰ চলাচল বন্ধ কৰি ৰাখে। আজি পুনৰ আমগুৰি নগৰৰ লাহতি তেল ডিপুৰ সন্মুখত বুবুল হাজৰিকা নামৰ প্ৰায় ৫৫ বছৰীয়া চাইকেল চলাই অহা বৃদ্ধক খুন্দিয়াই আহত কৰে। জাঁজীৰ সমীপত এজন যুৱকক খুন্দিয়াই চিৰদিনৰ বাবে ঘূণীয়া কৰিছিল। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ঋতুমণি হাজৰিকা আৰু ছাত্ৰ মুক্তিৰ কেন্দ্ৰীয় উপ-সভাপতি ৰবীন হাজৰিকাই যেতিয়াই তেতিয়াই চেকগেট বহুৱাই বাইজক হাৰাশাস্তি কৰা প্ৰশাসনে বৰ্তমান চকু মুদা কুলিৰ ভাও ধৰিছে বুলি অভিযোগ আনে। আমগুৰি নগৰখনত প্ৰতিদিনে যান-জোঁট আৰু দুৰ্ঘটনা ঘটোৱা ডাম্পাৰসমূহক প্ৰশাসনে কিয় নাকী লগাব পৰা নাই আৰু সাধাৰণ ৰাইজক জৰিমনা বিহা আৰক্ষীয়ে ডাম্পাৰসমূহক জৰিমনা বিহিব নোৱাৰাত প্ৰশ্ন কৰে নেতাদ্বয়ে। শীঘ্ৰে নগৰৰ মাজ-মজিয়াত ডাম্পাৰসমূহ চলাচল বন্ধ কৰিবলৈ আমগুৰি আৰক্ষী আৰু জিলা প্ৰশাসনক দাবী জনাইছে। অন্যথাই দুয়োটা সংগঠনে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰ হুংকাৰ প্ৰদান কৰে।

## আশ্ৰমৰ বিৰুদ্ধে উত্থাপিত সকলো অভিযোগ খাৰিজ

# উচ্চতম ন্যায়ালয়ে বৃহৎ সকাহ দিলে সদগুৰুতক

**নতুন দিল্লী, ১৯ অক্টোবৰঃ** উচ্চতম ন্যায়ালয়ৰ বৃহৎ সকাহ জগ্গী বাসুদেৱ ওৰফে সদগুৰুক। তেওঁৰ আশ্ৰমৰ বিৰুদ্ধে উত্থাপিত সকলো অভিযোগ শুকুৰবাৰে খাৰিজ কৰিছে উচ্চতম ন্যায়ালয়ে। দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ বিচাৰপীঠে সদগুৰুৰ আশ্ৰমৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগসমূহ খাৰিজ কৰি এই গোচৰটোৰ নিষ্পত্তি কৰে। উল্লেখ্য যে, ইয়াৰ পূৰ্বেই এই গোচৰত মাদ্ৰাছ উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশ স্থগিত ৰাখিছিল সৰ্বোচ্চ ন্যায়ালয়ে। মন কৰিবলগীয়া যে, সদগুৰুৰ কয়ম্বটুৰস্থিত আশ্ৰমত দুই প্ৰাপ্তবয়স্ক কন্যাৰ ব্ৰেইনৱাছ কৰি আশ্ৰমত থাকিবলৈ বাধ্য কৰোৱা বুলি সদগুৰুৰ বিৰুদ্ধে অভিযোগ কৰিছিল এগৰাকী অৱসৰপ্ৰাপ্ত অধ্যাপকে। তেওঁ লগতে অভিযোগ কৰিছিল যে তেওঁৰ দুই কন্যাক সাংসাৰিক জীৱনৰ পৰা ব্ৰেইনৱাছেৰে আঁতৰাই পৰিয়ালৰ সৈতে যোগাযোগ কৰাতো বাধা দিয়া হৈছে। অধ্যাপকগৰাকীয়ে আদালতত তৰা এই গোচৰৰ শুনানি গ্ৰহণ কৰি পূৰ্বে মাদ্ৰাছ উচ্চ ন্যায়ালয়ে আৰক্ষীক গোচৰৰ তদন্তৰ নিৰ্দেশ দিয়ে। ইয়াৰ পিছতে ন্যায়ালয়ৰ এই নিৰ্দেশক প্ৰত্যাহ্বান জনায় উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয় সদগুৰুৰ সংস্থা। উচ্চতম ন্যায়ালয়ত সদগুৰুৰ সংস্থাই দাখিল কৰা আবেদনত উল্লেখ কৰে যে মাদ্ৰাছ উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পিছতে শ শ আৰক্ষী তেওঁলোকৰ আশ্ৰমত প্ৰৱেশ কৰিছে, যাৰ ফলত আশ্ৰমৰ ভাবমূৰ্তি বিনষ্ট হৈছে। আৰক্ষীৰ তদন্তই আশ্ৰমৰ ওপৰত আস্থা ৰখাসকলৰ ধৰ্মীয় অনুভূতিতো আঘাত হনা বুলি দাবী কৰে সংস্থাটোৱে। ইফালে উচ্চতম ন্যায়ালয়ত এই গোচৰৰ শুনানিৰ সময়ত 'ব্ৰেইনৱাছ' কৰা বুলি অভিযোগ অনা অধ্যাপকগৰাকীৰ দুই কন্যাৰ ভাষ্যও ভাৰ্চুৱেলী গ্ৰহণ কৰা হয়। শুনানিৰ সময়ত ৩৯ আৰু ৪২ বৰ্ষীয় মহিলা দুগৰাকীয়ে তেওঁলোকৰ ব্ৰেইনৱাছ কৰাৰ অভিযোগ অস্বীকাৰ কৰি স্বেচ্ছাই আশ্ৰমত থকা বুলি আদালতক অৱগত কৰে। ইয়াৰ পিছতে উচ্চতম ন্যায়ালয়ে আশ্ৰমখনৰ বিৰুদ্ধে উত্থাপিত সকলো অভিযোগ খাৰিজ কৰি গোচৰটোৰ নিষ্পত্তি কৰে।



বিজেপিৰ বিৰুদ্ধে মাৰ বান্ধি যুজাঁৰ পণ! চামগুৰি কাণ্ডক লৈ অসম আৰক্ষীৰ নিৰ্লিপ্ততাৰ বিৰুদ্ধে কংগ্ৰেছে কঁপালে ৰূপহী

# মাজুলীত চাৰি চকীয়া বাহনৰ খুন্দাত এজনৰ মৃত্যু

**ই-সংবাদ, মাজুলী, ১৯ অক্টোবৰঃ** মাজুলী কমলাবাৰী বনগাঁও পথত সংঘটিত এক পথ দুৰ্ঘটনত এজন লোকে মৃত্যুক আকোঁৱালি লয়। ১৮ অক্টোবৰ সন্ধিয়া প্ৰায় ৭ বজাত বনগাঁও দিশৰপৰা আহি থকা এখন চাৰিচকীয়া বাহনে বুপ শইকীয়া ওৰফে লোহা নামৰ ব্যক্তিজনক বিহিমপুৰ সত্ৰ অংশৰ পথত খুন্দা মৰাত মুখমণ্ডল আৰু মূৰত গুৰুতৰভাৱে আঘাত প্ৰাপ্ত হয়। ঘটনাস্থলীৰ পৰা বহুপলমকৈ আঘাতপ্ৰাপ্ত লোকজনক গড়মূৰ পীতাম্বৰদেৱ গোস্বামী অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও গুৰুতৰ ভাৱে আঘাত পোৱা লোকজনক উন্নত চিকিৎসাৰ প্ৰয়োজন বুলি ডিব্ৰুগড়লৈ নিয়াৰ ব্যৱস্থা কৰে। দৰিদ্ৰ পৰিয়ালটোৱে দীঘলীয়া বাট অতিক্ৰম কৰি নিয়া সামৰ্থৰ অভাৱত ১০৮ এম্বুলেন্সত নিয়াৰ পোষকতা কৰে। সেই সময়ত এম্বুলেন্সৰ ব্যস্ততাৰ বাবে বহু পলম হোৱাত ডিব্ৰুগড়লৈ নিয়াৰ পথত জেংৰাই মুখতে ব্যক্তিজনৰ মৃত্যু হয়। এএছ-২৯-৬৯৯৮ নম্বৰৰ গাড়ীখন জব্দ কৰাৰ লগতে মাজুলী মহাবিদ্যালয়ৰ উচ্চবৰ্গৰ সহায়ক পদ্ম বৰুৱাক আৰক্ষীয়ে আটক কৰে। বুপ শইকীৰ পুত্ৰ লক্ষ্যজিত শইকীয়াই বনগাঁও আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। এজাহাৰৰ ভিত্তিত গোচৰ ৰুজু কৰা হৈছে।

## দল-মত নিৰ্বিশেষৰ উপস্থিতিত বিশাল ৰাজহুৱা সভা

# ঐতিহাসিক পথ বন্ধ কৰিব খোজাৰ বিৰুদ্ধে ক্ষুব্ধ ৰঙিয়াবাসী

**ই-সংবাদ, ৰঙিয়া, ১৯ অক্টোবৰঃ** বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰ তথা স্থানীয় বিধায়ক ভবেশ কলিতাৰ নীৰৱ ভূমিকাত ক্ষুব্ধ হৈ পৰিছে ৰঙিয়া চহৰবাসী। ৰঙিয়া চহৰক মুখ্য ব্যৱসায়স্থলীৰ পৰা বিচ্ছিন্ন কৰিবলৈ খোজা কাৰ্যত বিধায়কে হস্তক্ষেপ নকৰাত নগৰখনৰ এটা প্ৰান্তৰ লোক সৰৱ হৈ পৰিছে। উৰণীয়া সেঁতু নিৰ্মাণৰ নামত এটা প্ৰান্তক আন এটা প্ৰান্তৰ পৰা বিচ্ছিন্ন কৰিব খোজা সিদ্ধান্তৰ বিৰুদ্ধে আজি ৰঙিয়াত বিশাল ৰাজহুৱা সভা অনুষ্ঠিত হয়। ত্ৰুটিপূৰ্ণ নক্সা সংশোধনৰ দাবীত ৰঙিয়া ষ্টেচন নাগৰিক সমিতিৰ উদ্যোগত অনুষ্ঠিত বিশাল ৰাজহুৱা সভাত ৰাইজৰ দাবীক উপেক্ষা কৰা বুলি ৰাইজে অভিযোগ তোলে। ষ্টেচন সংযোগী পথত নিৰ্মিয়মান উৰণীয়া সেঁতুৰ সমীপত দিনৰ ১১ বজাত অনুষ্ঠিত ৰাজহুৱা সভাত সভাপতিত্ব কৰে ৰঙিয়া সমষ্টিৰ প্ৰাক্তন বিধায়ক অনন্ত ডেকাই। উপ-পথ নিৰ্মাণ নকৰাকৈ উৰণীয়া সেঁতুৰ নিৰ্মাণৰ কাম আৰম্ভ কৰাত সভাই তীব্ৰ ক্ষোভ ব্যক্ত কৰে। প্ৰতিবাদী সভাখনত অসম ৰেলযাত্ৰী সন্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই তীব্ৰ ক্ষোভ ব্যক্ত কৰি কয় যে সাধাৰণ ৰাইজক পণবন্দী কৰি এটি সদাব্যস্ত পথ বন্ধ কৰি দিব খোজা হৈছে। এয়া অতিকৈ দুৰ্ভাগ্যজনক। কোনো ধৰণৰ উপ-পথ নিৰ্মাণ নকৰি এটা অঞ্চলৰ মানুহৰ যাতায়ত ব্যৱস্থা সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়াত ৰাইজ শংকিত হৈ পৰিছে। ৰাইজৰ সমস্যাক গুৰুত্ব নিদিলে বন্দে ভাৰত এক্সপ্ৰেছ, ৰাজধানী এক্সপ্ৰেছ অৱৰোধ কৰাৰ হুংকাৰ দিয়ে ৰাইজে। সভাত অগপ দলৰ কেন্দ্ৰীয় সম্পাদক অৰ্ণৱ ভৰালী, বিজেপি নেতা ৰঞ্জন উপাধ্যায়, চিপিআইএম নেতা বিবেকানন্দ অধিকাৰী, সমাজকৰ্মী ডাঃ মৃনাল ডেকা, আব্দুল জব্বৰ, স্পৰ্শ হাস্পাতালৰ পৰিচালন সঞ্চালক ডাঃ ভৰত বৈশ্য উপস্থিত থাকে। বিশিষ্ট লোকসকলে ত্ৰুতিপূৰ্ণ নক্সা সংশোধনী কৰাৰ দাবী উত্থাপন কৰে। ৰঙিয়া চহৰৰ এটা মুখ্য অংশ হৈছে ৰেল ষ্টেচন অংশ। চহৰৰ পৰা এটা মূৰত থকা বৃহৎ ষ্টেচন এলেকাৰ ব্যৱসায়ীক সম্পৰ্ক বাকী সকলো অংশৰ সৈতে জড়িত। কিন্তু এইখন চৰকাৰে হঠাকাৰী সিদ্ধান্ত লৈ ৰেল ষ্টেচমৰ অংশটোক অন্য



অংশৰ পৰা বিচ্ছিন্ন কৰি উৰণীয়া সেঁতু নিৰ্মাণৰ নামত পথটো বন্ধ কৰি দিছে। সেঁতু নিৰ্মাণ হোৱাৰ পাছতো পথ একেবাৰে বন্ধ কৰাৰ সিদ্ধান্ত লৈছে। যাৰ ফলসত কেইবা ব্যৱসায় প্ৰতিষ্ঠানৰ লগতে ষ্টেচন সংযোগী পথটোৰ দোকানীসকলে নিগমে মৰিব লাগেব। যাৰ ফলত জাতি, ধৰ্ম, ব্ৰণ নিৰ্বিশেষে একত্ৰিত হৈছে ৰাইজ। জল্টিৰাম লহকৰ হাইস্কুল, কেন্দ্ৰীয় বিদ্যালয়, ইণ্ডিয়ান বেংক, ৰঙিয়া ৰেল জংচন, কেইবাখনো ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ লগতে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ো আছে উক্ত এলেকাত। ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি উৰণীয়া সেঁতুৰ নক্সা সলনি কৰি নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিবলৈ সহস্ৰাধিক লোকে দাবী জনায়।

# ‘সমন্বয়ৰ দিন’ উদযাপনৰ আদৰণি সমিতি গঠন আছুৰ

**ই সংবাদ, বিশ্বনাথ, ১৯ অক্টোবৰঃ** বৃহত্তৰ পাভৈবাসী ৰাইজৰ সহযোগত এইবেলিও পাভৈ আঞ্চলিক ছাত্ৰ সন্থাই অহা ৫ আৰু ৬ নৱেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে ভাৰত ৰত্ন, বিশ্ব বৰেণ্য শিল্পী সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা মৃত্যু তিথি উপলক্ষে ‘সমন্বয় দিন’ উদযাপন কৰিব। বিশ্ব বৰেণ্য শিল্পীগৰাকীৰ বিখ্যাত কালজয়ী গীত ‘মানুহে মানুহৰ বাবে’ বড়ো, গাৰো, কাৰ্বি, চাহ-জনজাতি, আদিবাসী, ওড়িয়া, মুণ্ডা, চাওঁতালী, গোৰ্খা, প্ৰজা, ভোজপুৰী আৰু বাংলা ভাষাত পৰিৱেশন কৰিব। আকৌ এবাৰ সকলোৱে একেলগে সমস্বৰে গাব সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ ‘মানুহে মানুহৰ বাবে’ কালজয়ী গীত। আজি পাভৈৰ ৰূপজ্যোতি কলা পৰিষদত পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰহ্লাদ মিলিৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণি সমিতি গঠন কৰা হয়। এডেনবাৰী অঞ্চলৰ এগৰাকী বিশিষ্ট সমাজসেৱক পিতৃক চাংমাক সভাপতি, ছাৰসিং তকবি, কাতিৰাম বসুমতাৰী, মডিনা মাৰাকক কাৰ্যকৰী সভাপতি আৰু তৰুণ মাৰাক আৰু সম্বৰো নাৰ্জাৰীক যুটীয়া সাধাৰণ সম্পাদক হিচাপে আদৰণি সমিতিখন গঠন কৰা হয়। সভাত বিভিন্ন বিভাগৰ উপ-সমিতি গঠন কৰা হয়। সভাত বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ সভাপতি মঃ আজমত শ্বেখ, বিশ্বনাথ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সুশীল তাঁতি, জিলা ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক অৰ্পণ বসুমতাৰীকে ধৰি কেইবাগৰাকী ছাত্ৰনেতা উপস্থিত থাকে।

## আত্মনিৰ্ভৰ অসম

# ধনৰ সদব্যৱহাৰ কৰিবলৈ আয়ুক্তই জনালে আহ্বান

**ই-সংবাদ, বৰপেটা, ১৯ অক্টোবৰঃ** বৰপেটা জিলাৰ আয়ুক্ত ৰোহন কুমাৰ ঝা, অতিৰিক্ত জিলা আয়ুক্ত কৌস্তৱ কলিতাই মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত নিৰ্বাচিত হিতাধিকাৰীসকলৰ সৈতে মত-বিনিময় কৰে। ইউচিঅ’ গ্ৰাম্য স্বনিয়োগ প্ৰশিক্ষণ প্ৰতিষ্ঠানত অনুষ্ঠিত মত-বিনিময় অনুষ্ঠানত জিলা আয়ুক্ত ঝাই আত্মনিৰ্ভৰ অসম অভিযানৰ হিতাধিকাৰীসকলক আঁচনিৰ অধীনত প্ৰদান কৰা আৰ্থিক সাহায্যৰ সৎ ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। ভৱিষ্যতে আত্মনিৰ্ভৰশীলতাৰ বাবে দীৰ্ঘম্যাদী সুবিধাসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰে জিলা আয়ুক্ত ঝাই। অতিৰিক্ত আয়ুক্ত কলিতাই প্ৰাৰ্থীসকলক বহনক্ষম উন্নয়ন সাধনৰ বাবে আঁচনিখনে আগবঢ়োৱা সুযোগসমূহ লৈ সম্পূৰ্ণৰূপে সৎ ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। বৰপেটা জিলা উদ্যোগ কেন্দ্ৰৰ মুখ্য প্ৰবন্ধক মৃত্যুঞ্জয় কুমাৰ, বৰপেটা জিলা উদ্যোগ কেন্দ্ৰৰ সাধাৰণ প্ৰবন্ধক প্ৰাঞ্জন ৰাজমেধি, ইউচিঅ’আৰএছইটিআইৰ সঞ্চালক সাহিল অঞ্জুমে অনুষ্ঠানত অংশগ্ৰহণ কৰে। ৮১০ জন হিতাধিকাৰীৰ বাবে ৩ দিনীয়া উদ্যোগীকৰণ প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। ন’ডেল প্ৰশিক্ষণ অংশীদাৰ হিচাপে নিৰ্বাচিত হৈছে ইউচিঅ’ আৰএছইটি বৰপেটা। দেওবাৰে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি পৰিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসমত উদ্যোগীকৰণৰ পোষকতা কৰি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ ২.০ আৰম্ভ কৰাৰ কথা ঘোষণা কৰে। ৭৫ হাজাৰ হিতাধিকাৰীক অৰ্হতাৰ ভিত্তিত আৰ্থিক সাহায্য প্ৰদান কৰি নিবনুৱাক স্বাৱলম্বী কৰাৰ পণ লৈছে।




**মৰিগাঁৱৰ মিকিৰভেটাত ব্ৰহ্মপুত্ৰ ভলীবল লীগৰ শুভাৰম্ভ অনুষ্ঠান উপলক্ষে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাৰ এটি দৃশ্য, ফটোঃ পুলক মেধি**

## ঝাৰখণ্ডৰ আসনক লৈ নিৰ্ণায়ক সিদ্ধান্তত উপনীত দুয়োটা দল

# বিজেপিক পৰাভূত কৰিবলৈ কংগ্ৰেছ-জেজেএমৰ বুজাবুজি চূড়ান্ত

**ৰাঁচী, ১৯ অক্টোবৰঃ** ঝাৰখণ্ডৰ বিধানসভা নিৰ্বাচনৰ তাৰিখ ঘোষণাৰ পিছতে ৰাজ্যখনৰ ৰাজনৈতিক দলসমূহৰ মাজত তীব্ৰতৰ হৈ পৰিছে নিৰ্বাচনী কুচকাৱাজ। ইয়াৰ মাজতে ৰাজ্যখনত ইণ্ডিয়া মিত্ৰজোঁটৰ দলসমূহৰ মাজত আসনৰ ভাগ-বতৰা সম্পূৰ্ণ হোৱা বুলি প্ৰকাশ পাইছে। জানিব পৰা মতে, আগন্তুক নিৰ্বাচনত ঝাৰখণ্ড মুক্তি মৰ্চা আৰু কংগ্ৰেছক ৭০ খন আসন আৱণ্টন দিয়াৰ বিপৰীতে বাকী ১১ খন আসন মিত্ৰজোঁটৰ আন আন দলসমূহৰ বাবে এৰি দিয়া হৈছে। মুখ্যমন্ত্ৰী হেমন্ত ছ'ৰেনে ৰাঁচীস্থিত চৰকাৰী বাসগৃহত এখন সংবাদমেলযোগে এই মিত্ৰতাৰ কথা ঘোষণা কৰে। তেওঁ কয় যে কংগ্ৰেছ আৰু ঝাৰখণ্ড মুক্তি মৰ্চাই ৭০খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব, আৰু বাকী আসনত আন মিত্ৰ দলৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। তেওঁ লগতে জানিবলৈ দিয়ে যে এইবাৰ আৰজেডিৰ বাহিৰেও চিপিআই-এমএলকেক মিত্ৰজোঁটত অন্তৰ্ভুক্ত কৰা হৈছে। অৱশ্যে ঝাৰখণ্ড মুক্তি মৰ্চা আৰু কংগ্ৰেছৰ কোনে কিমানখন আসনত প্ৰতিদ্বন্দ্বিতা সেই তথ্য প্ৰদান কৰাৰ পৰা বিৰত থাকে মুখ্যমন্ত্ৰী ছ'ৰেন। ইফালে, শুকুৰবাৰে নেশ্যনেল ডেম'ক্ৰেটিক এলায়েন্স (এনডিএ)য়েও মিত্ৰশক্তিৰ মাজত আসন বিতৰণৰ 'ফৰ্মুলা' ঘোষণা কৰে। সেই অনুসৰি বিজেপিয়ে ৬৮ খন আসনত, অল ঝাৰখণ্ড ষ্টুডেন্টছ ইউনিয়নে ১০ খন আসনত, জনতা দল (ইউনাইটেড)য়ে ২ খন আসনত আৰু লোক জনশক্তি পাৰ্টি (ৰামবিলাস)য়ে ১ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। লক্ষণীয় যে, ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত ৰাজ্যখনত ঘনাই সলনি হৈছে ৰাজনৈতিক পট। শুকুৰবাৰে তিনিবাৰৰ বিজেপি বিধায়ক কেদাৰ হাজৰা আৰু আজছুৰৰ নেতা উমাকান্ত ৰজকে ঝাৰখণ্ড মুক্তি মৰ্চাত যোগদান কৰে। জমুৱাৰ বিধায়ক হাজৰাই ২০১৯ চনত কংগ্ৰেছৰ মঞ্জু কুমাৰীক ১৮,১৭৫ ভোটত পৰাস্ত কৰি নিৰ্বাচনত জয়ী হৈছিল। দুয়োগৰাকী নেতাক জেএমএমলৈ আদৰণি জনাই মুখ্যমন্ত্ৰী হেমন্ত ছ'ৰেনে কয় যে ঝাৰখণ্ড ৰাজ্য গঠনৰ সময়ত সক্ৰিয়ভাৱে ভাগ লোৱা এই দুই নেতাৰ আগমণে জেএমএমৰ শক্তি বৃদ্ধি কৰিব। প্ৰণিধানযোগ্য যে, ৮১ জনীয়া ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ ১৩ আৰু ২০ নৱেম্বৰত দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব আৰু ২৩ নৱেম্বৰত ভোট গণনা অনুষ্ঠিত হ'ব। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ঝাৰখণ্ডত ২.৬০ কোটি ভোটাৰ আছে, ইয়াৰে ১.৩১ কোটি পুৰুষ আৰু ১.২৯ কোটি মহিলা। ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত প্ৰথমবাৰৰ বাবে ভোটদান কৰিব প্ৰায় ১১.৮৪ লাখ ভোটাৰে।

## ৰঙিয়াৰ কৰৰা গড়ভিতৰ অঞ্চলত বিধ্বংসী অগ্নিকাণ্ড

**ই-সংবাদ, ৰঙিয়া, ১৯ অক্টোবৰঃ** ৰঙিয়াৰ কৰৰা গড়ভিতৰত নিশা বিধ্বংসী অগ্নিকাণ্ডত সংঘটিত হয়। দমান্তী বড়ো নামৰ মহিলাগৰাকীৰ বাসগৃহত সংঘটিত অগ্নিকাণ্ডত বিস্তৰ ক্ষতিসাধন হয়। লক্ষ্মী পূজাৰ সামৰণি অনুষ্ঠান চলি থকাৰ সময়তে অগ্নিকাণ্ড প্ৰত্যক্ষ কৰি হুৱা-দুৱা লাগে। সপোনৰ ঘৰটো চকুৰ সন্মুখতে ধ্বংস হোৱা প্ৰত্যক্ষ কৰি ৰাইজে হাহাকাৰ কৰে। ঘটনাস্থলীত অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হৈ জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডৰ ফলত পৰিয়ালটোৰ প্ৰায় ৩ লক্ষাধিক মূল্যৰ সা-সামগ্ৰীৰ ক্ষয় ক্ষতি হোৱাৰ লগতে বহু মূল্যবান নথি পত্ৰ জাহ যায়।

## আজিৰে পৰা মৰিগাঁৱৰ মিকিৰভেটাত ব্ৰহ্মপুত্ৰ ভলীবল লীগ

**ই-সংবাদ, লাহৰীঘাট, ১৯ অক্টোবৰঃ** মৰিগাঁও জিলাৰ মিকিৰভেটাত মিকিৰভেটা ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ আতিথ্যত, অসম ভলীবল মিছন-১০০ৰ সৌজন্যত আজিৰে পৰা দুদিনীয়াকৈ আৰম্ভ হৈছে ব্ৰহ্মপুত্ৰ ভলীবল লীগৰ পঞ্চম সংস্কৰণ। মিকিৰভেটা ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ খেলপথাৰত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনৰ আজি শুভ উদ্বোধনী কৰে মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। বিয়লি ৩ বজাৰ পৰা ব্ৰহ্মপুত্ৰ ভলীবল লীগৰ পঞ্চম সংস্কৰণৰ শুভাৰম্ভ কৰা হয়। এই সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সম্পাদক কৌশিল হিলালী, তিৱা স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, অসম অলিম্পিক সন্থাৰ যুটীয়া সম্পাদক তপন কুমাৰ দাস, মিকিৰভেটা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অংকিত শৰ্মা, মৰিগাঁও জিলা ক্ৰীড়া বিষয়া চন্দন তালুকদাৰ, মৰিগাঁও ক্ৰীড়া বিভাগৰ জ্যেষ্ঠ শাৰীৰিক নিৰ্দেশক সীমান্ত বৈশ্য, মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক জিতু বৰদলৈ, ভাৰতীয় ভলীবল দলৰ অধিনায়ক অভিজিত ভট্টাচাৰ্য আৰু মিষ্টাৰ ইউনিভাৰ্চ ৰাজীৱ দাস। কাইলৈ অৰ্থাৎ ২০ অক্টোবৰত ছোৱালী আৰু ল'ৰাৰ ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

## তামুলপুৰৰ ঘগ্ৰাচ'কত মীন পালকৰ সজাগতা সভা

**ই-সংবাদ, তামুলপুৰঃ ১৯ অক্টোবৰঃ** বিটিআৰৰ মৎস্য পালকসকলক স্বাৱলম্বী কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনা ৰূপায়ন কৰি থকা হৈছে। তাৰ মাজতে আজি তামুলপুৰ জিলাৰ ঘগ্ৰাচ'কত পাগলাদিয়া মৎস্যপালক খেতিয়ক উৎপাদক কোম্পানীৰ এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনা আঁচনিৰ অধীনত মীন পালক-উৎপাদক সংগঠন গঠন আৰু প্ৰসাৰৰ ক্ষেত্ৰত সজাগতামূলক সভাখন অনুষ্ঠিত হয়।



সভাত আদৰণি ভাষণ ৰাখে তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰীয়ে। দৈমাৰীয়ে কৃষকক নিজৰ কৃষিজাত সামগ্ৰী বা মাছ বহিঃৰাজ্যলৈ যোগান ধৰি কৃষি খণ্ডত উন্নতি কৰিবলৈ আহ্বান জনায়। গুৱাহাটীৰ লালমাটিস্থিত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ বিষয়া নলিনাক্ষ চমুৱাই কৃষক ৰাইজে কি দৰে একত্ৰিত হৈ কোম্পানী গঠন কৰিব পাৰে আৰু নিজৰ অঞ্চলত ব্যৱসায় চলাব পাৰে সেই লৈ আলোচনা কৰে। সমল ব্যাক্তি উৎপল বৰা, অপূৰ্ব শৰ্মা, ধ্ৰুৱজ্যোতি মালাকৰে মীন পালন সংস্থাপনৰ বাবে উত্তম বুলি কয়। কোম্পানীটোৰ পৰিচালক হৰেন ৰাভা আৰু সম্পাদক চবিন দাসেও বক্তব্য ৰাখে। সভাত প্ৰায় ৬০গৰাকী খেতিয়ক আছিল।

# নগাঁৱৰ ৰৌমাৰীত পথ অৱৰোধ গঞাৰ, চৰকাৰী বিল দখলমুক্ত কৰাৰ দাবী

**ই-সংবাদ, বেবেজীয়া, ১৯ অক্টোবৰঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ ৰৌমাৰীত কেইবাশতাধিক গঞাই জাজৰি-ধিং সংযোগী গড়কাপ্তানী পথ অৱৰোধ কৰি আজি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। চৰকাৰী বিল বেদখল মুক্ত কৰাৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে গঞাই। দীৰ্ঘদিনৰে পৰা একাংশ মৎস্য পালকে ৰৌমাৰী, ভেৰভেৰি, ছালনাবড়ি, গেৰেকনী আদি বিলসমূহ অবৈধভাবে দখল কৰি তাত যধে-মধে পুখুৰী খান্দি মৎস্য পালন কৰি আহিছে। একাংশ মৎস্য পালকে পথৰ দলং আৰু কালভাৰ্টৰ সন্মুখত পুখুৰী খান্দি পানী ওলাই যোৱাত বাধা প্ৰদান কৰিছে। যাৰ ফলত বৰষুণ দিলে বৰষুণৰ পানী ওলাই যাব নোৱাৰাত প্ৰায় ৫০ খনৰো অধিক গাঁও কৃত্ৰিম বানৰ কবলত পৰাত ৰাইজে জীয়াতু ভুগি আহিছে। কৃষকসকলে কৃত্ৰিম বানৰ বাবেই সুকলমে খেতি-বাতি কৰিব নোৱাৰাত চৰম সমস্যাৰ সন্মুখিন হ'বলগীয়াত পৰিছে। ভীষণ সমস্যাত ককবকাই থকা স্থানীয় ৰাইজে বিগত সময়ছোৱাত এনে সমস্যাৰ কথা জিলা আয়ুক্ত আৰু ধিং ৰাজহ চক্ৰ বিষয়াক বাৰম্বাৰ অৱগত কৰি আহিছে। বিভাগীয় কৰ্তৃপক্ষই ৰহস্যজনকভাবে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। ৰাইজে এনে সমস্যা সমাধান নকৰাত ক্ষোভিত



হৈ পথ অৱৰোধ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে আৰু শীঘ্ৰে সমাধান কৰিবলৈ আহ্বান জনায়।

## শিৱসাগৰ গ্ৰন্থ উৎসৱত প্ৰেম গগৈয়ে কৰিলে উন্মোচন

# দেৱযানী শইকীয়া গগৈৰ কাব্য গ্ৰন্থ 'চৰাইটো মোৰ নাছিল' উন্মোচন




**ই-সংবাদ, আমগুৰি, ১৯ অক্টোবৰঃ** শিৱসাগৰ বৰ্ডিং খেলপথাৰত অনুষ্ঠিত হোৱা নৰম শিৱসাগৰ গ্ৰন্থ উৎসৱত কবি দেৱযানী শইকীয়া গগৈৰ দ্বিতীয় কবিতা পুথি 'চৰাইটো মোৰ নাছিল' উন্মোচন কৰে অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈয়ে। উন্মোচনী অনুষ্ঠানত সাহিত্যাচাৰ্য নাহেন্দ্ৰ পাদুন, শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্ত, সদৌ অসম লেখিকা সমাজৰ উপ-সভাপতি দীপ্তি গগৈ, দেৱযানী শইকীয়া গগৈৰ পিতৃ তথা অৱসৰপ্ৰাপ্ত শিক্ষক সু-লেখক দুলৰ্ভ শইকীয়া, পিয়লি ফুকন শাখা সাহিত্য সভাৰ সভাপতি দেৱযানী মহন্ত, অৱসৰপ্ৰাপ্ত সমাজ কল্যাণ বিষয়া দীপালী স্বৰ্গিয়াৰী, ৰাষ্ট্ৰীয় খেলুৱৈ চম্পা বৰুৱাকে ধৰি বহুকেইগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থাকে। কবিতা পুথি উন্মোচন কৰি প্ৰেম গগৈয়ে কয় যে কবি দেৱযানী শইকীয়া গগৈয়ে খুব সহজকৈ ব্যঞ্জনা আৰু চিত্ৰকল্পৰ সৃষ্টি কৰিব পাৰিছে। নামতি পিয়লি ফুকন শাখা সাহিত্য সভাই প্ৰকাশ কৰি উলিওৱা গ্ৰন্থখনৰ শুভেচ্ছাৰ একাষাৰটো প্ৰেম গগৈয়ে কবি দেৱযানী শইকীয়া গগৈয়ে কবিতাৰ জগতত নিজাকৈ বাট এটি মোকলাই লোৱাৰ আশা কৰি শুভেচ্ছা জনাইছে। দেৱযানী শইকীয়া গগৈৰ পূৰ্ব প্ৰকাশিত কাব্য গ্ৰন্থখনৰ নাম বিজ্ঞাপন। নামতিৰ খেজুৰিতল জ্ঞানজ্যোতি বিদ্যাপীঠৰ সঞ্চালিকা আৰু কলামঞ্জৰী সঙ্গীত মহাবিদ্যালয়ৰ অধ্যক্ষা দেৱযানী শইকীয়া গগৈৰ কবিতা বিভিন্ন আলোচনী, বাতৰি কাকত আদিত ভিন্নসুৰী কেইবাটিও কবিতাৰ জৰিয়তে যোগাত্মক বতৰা সমাজলৈ আগবঢ়াইছে।

# মিলপাৰাত ৰাইজৰ জালত তিনি চোৰ



**ই-সংবাদ, ১৯ অক্টোবৰ, হাজোঃ** হাজো আৰক্ষী থানাৰ অন্তৰ্গত বৰছলিৰ বাঙালপাৰাত চোৰৰ সন্ত্ৰাসৰ মাজতে নিশা তিনি চোৰ জালত পৰিছে। ৰাইজৰ হাতত ধৰা পৰে তিনি গভাইত চোৰ। প্ৰথমে মিলপাৰা ৰতনপুৰ পুৰণি মছজিদৰ দানপাত্ৰ আৰু ৰতনপুৰৰ নদীপাৰ মছজিদৰ দান পাত্ৰ ভাঙি টকা-পইচা চুৰি কৰিছিল তিনি চোৰে। তাৰ পাছতে আন এঘৰত চোৰ কৰিবলৈ সোমাই চোৰ কেইটাই। গৃহস্থৰ চোতালত ৰখাই থোৱা বাহনত চকু পৰে চোৰ কেইটাৰ। বাহখনৰ বেটাৰী খুলিবলৈ আৰম্ভ কৰে। লগে লগে গৃহস্থই দেখি হাহাকাৰ কৰাত ওচৰ-চুবুৰীয়া আহি উপস্থিত হয়। ওমৰ ফাৰুক, ফৰিদ আলী আৰু আমোদ আলী নামৰ তিনি চোৰক ধৰি ৰাইজে ঘটনাস্থলীতে উত্তম-মধ্যম সোধাই ৰামদিয়া আৰক্ষী চকীক গতাই দিয়ে। ৰামদিয়া আৰক্ষীয়ে তিনি চোৰক গ্ৰেপ্তাৰ কৰি জেৰাত বহু চুৰি কাণ্ডৰ কথা স্বীকাৰ কৰে। চোৰৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে নিশাই উদ্ধাৰ কৰে মটৰ পাম্প আৰু বৈদ্যুতিক তাৰ। হাজো আৰক্ষী থানাৰ আলহী হৈ আছে তিনি চোৰ। উল্লেখ্য যে এই চোৰকেইটাই হাজোৰ ভিন্ন স্থানত দীৰ্ঘদিন ধৰি ৰাইজৰ মাজত সন্ত্ৰাস চলাই আহিছিল। চোৰকেইটা আৰক্ষীৰ জালত পৰাত স্থানীয় ৰাইজে এতিয়া সন্তুষ্টি ব্যক্ত কৰিছে।

# মাজুলীত জিলা শিশু সুৰক্ষা বিষয়াৰ কাৰ্যালয়ৰ অস্থায়ী কৰ্মচাৰীক গ্ৰেপ্তাৰ আৰক্ষীৰ

ইসংবাদ, মাজুলী,১৮অক্টোবৰ: মাজুলীৰ গড়মূৰস্থিত জিলা শিশু সুৰক্ষা বিষয়া কাৰ্যালয়ৰ ঠিকাভিত্তিক কৰ্মচাৰী অবিনাশ শইকীয়াক গড়মূৰ আৰক্ষীয়ে গ্ৰেপ্তাৰৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জিলা শিশু সুৰক্ষা বিষয়া সংগীতা বৰুৱাৰ অভিযোগৰ ভিত্তিত কমলাবাৰী কাঠনিবাৰীৰ নিজা বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰা হয় অবিনাশ শইকীয়াক। অবিনাশ শইকীয়াই কাৰ্যালয়টোৰ পৰা কৌশলৰে প্ৰায় ডেৰ লক্ষাধিক ধন আত্মসাৎ কৰাৰ তথ্য পোহৰলৈ অহাৰ পাছতে গড়মূৰ আৰক্ষী থানাত জিলা শিশু সুৰক্ষা বিষয়াই অভিযোগ দাখিল কৰিছিল। অবিনাশে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে কিছু দিনৰ আগতে তেওঁক চাকৰিৰ পৰা অব্যাহতি দিয়া হৈছে আৰু ধন আত্মসাতৰ সৈতে জড়িত নহয় বুলি দাবী কৰে। আনহাতে এপ্ৰিল মাহৰ পৰা কৰ্মচাৰীজনে দৰমহা লাভ কৰা নাছিল আৰু তেওঁৰ বিৰুদ্ধে মিছা অভিযোগ আনিছে বুলি কয়। অবিনাশে কাৰ্যালয়টোত দৈনিক ৩০০ টকাৰ বাবদ ঠিকাভিত্তিক চাকৰিত নিয়োজিত হৈ ডাটা এণ্ট্ৰিৰ কাম কৰিছিল।



# জোনমণি দত্তক জ্ঞানাঞ্জন বঁটা-২০২৪ প্ৰদান

**ই-সংবাদ, আমগুৰি ১৯ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ স্বেচ্ছাসেৱী সংস্থা 'সেৱা the service'-এ আজি আমগুৰি আউনী আটীয় হেমচন্দ্ৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী জোনমণি দত্তক 'জ্ঞানাঞ্জন বঁটা-২০২৪' প্ৰদান কৰে। আমগুৰিৰ আউনী আটীয় হেমচন্দ্ৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। ইন্দ্ৰকমল ফুকন আৰু সম্পাদক বিপুলজ্যোতি নেওগে আঁতধৰা অনুষ্ঠানত আউনী আটীয় হেমচন্দ্ৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিলীপ আৰন্ধৰাই বন্তি প্ৰজ্বলন কৰে। সঙ্গীতা গোস্বামী বৰুৱাৰ দ্বাৰা শ্ৰীমন্ত শংকৰদেৱৰ এটি বৰগীতেৰে বঁটা প্ৰদান অনুষ্ঠানৰ শুভাৰম্ভ হয়। সম্পাদক বিপুল জ্যোতি নেওগে আদৰণি ভাষণ প্ৰদান কৰাৰ লগতে আউনী আটীয় হেমচন্দ্ৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ যোগেশ কিশোৰ ফুকন বহুমূলীয়া ভাষণ প্ৰদান কৰে। তাৰ পাছতে সহকাৰী শিক্ষয়িত্ৰী জোনমণি দত্তক 'জ্ঞানাঞ্জন বঁটা-২০২৪' প্ৰদান কৰা হয়। এই বঁটাত এখন চেলেং চাদৰ, এখন ফুলাম গামোচা, এটি স্মাৰক, এখন প্ৰশস্তিপত্ৰ আৰু এখন দহ হাজাৰ টকাৰ চেক আছে। মুখ্য অতিথি শিৱসাগৰ বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক ড০ ত্ৰিদিপ মহন্তই বহু গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। সভাত সভাপতি মুনীন বৰুৱা, অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক, অবনী বৰুৱা, অৱসৰপ্ৰাপ্ত প্ৰৱক্তা অনিল হাজৰিকা আৰু সুশীল কোঁৱৰে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। আমগুৰি আউনী আটীয় হেমচন্দ্ৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে বঁটা প্ৰাপক জোনমণি দত্তক একোখনকৈ ফুলাম গামোচাৰে অভিনন্দন জনোৱাৰ লগতে সেৱা জনায়। শেষত জাতীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# নিশা যুৱক-যুৱতীৰ ভিডিঅ' ৰেকৰ্ড কৰি ধন আদায়, ভুৱা সাংবাদিকক গ্ৰেপ্তাৰ

## পলাতক চেটেলাইট চেনেলৰ কেমেৰাপাৰ্চন

**ই-সংবাদ, ডুমডুমা, ১৯ ছেপ্টেম্বৰঃ** তিনিচুকীয়া জিলাৰ চাহনগৰী ডুমডুমাত সংঘটিত হৈছে চাঞ্চল্যকৰ কাণ্ড। নিশা বিপদত পৰা যুৱতীক সহায় কৰিবলৈ যোৱা যুৱকৰ ভিডিঅ' ৰেকৰ্ড কৰি লক্ষাধিক টকা সংগ্ৰহ কৰা অনিল তাঁতী নামৰ ভুৱা সাংবাদিক গ্ৰেপ্তাৰ কৰাত চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, ১৪ অক্টোবৰত সংঘটিত হৈছিল এই ঘটনা। তিনিচুকীয়াৰ ফিল'বাৰী আৰক্ষী থানাৰ অন্তৰ্গত ৰবৰগুৰি গাঁৱৰ উমাকান্ত চেত্ৰী আৰু এগৰাকী যুৱতীক ব্লেকমেইলিং কৰিছিল অনিল তাঁতী নামৰ ভুৱা সাংবাদিক আৰু এটা চেটেলাট চেনেলৰ কেমেৰাপাৰ্চনে। জানিব পৰা মতে, ১৪ অক্টোবৰত উমাকান্ত চেত্ৰীয়ে ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত টিপুক ১০নং লাইনৰ এগৰাকী যুৱতীক ধেমাজিৰ পৰা ঘৰলৈ আহি থকা অৱস্থাত ৰাস্তাত লগ পাইছিল। যুৱতীক ৰাস্তাৰ পৰা ঘৰত থবলৈ যোৱাৰ সময়তে নিশা প্ৰায় ১০ বজাত টিপুক চাহ বাগিচাত অনিল তাঁতী আৰু চেটেলাট চেনেলৰ কেমেৰাপাৰ্চনে নিজকে সাংবাদিক বুলি পৰিচয় দি যুৱক-যুৱতীক ৰেকৰ্ড কৰে। সাংবাদিক আৰু এটা সংগঠনৰ নেতা বুলি পৰিচয় দি বলপূৰ্বক ভিডিঅ' ৰেকৰ্ড কৰি যুৱকজনক ধনদাবী কৰিবলৈ আৰম্ভ কৰে। অতিষ্ঠ উমাকান্ত চেত্ৰীয়ে ডুমডুমা আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। অনিল তাঁতীয়ে মুঠ ১ লাখ ২০ হাজাৰ টকা ধন দাবী কৰাত কেইবাটাও কিস্তিত টকাখিনি আদায় লোৱা বুলি এজাহাৰত উল্লেখ কৰিছে উমাকান্ত চেত্ৰীয়ে। এজাহাৰত যুৱকজনে এটা চেটেলাইট চেনেলৰ এগৰাকী কেমেৰাপাৰ্চনৰ নামো উল্লেখ কৰিছে। ডুমডুমা আৰক্ষীয়ে ১৭৯/২৪ নম্বৰত গোচৰ ৰুজু কৰি ধুৰন্ধৰ অনিল তাঁতীক গ্ৰেপ্তাৰ কৰিছে। বৰ্তমানেও পলাতক হৈ আছে চেটেলাইট চেনেলৰ কেমেৰা পাৰ্চনজন। ব্লেকমেইলিঙ, ধনদাবী, মাৰ-পিট ইত্যাদিৰে বিভিন্ন সময়ত ডুমডুমাত চৰ্চিত হৈ অহা ধুৰন্ধৰ অনিল তাঁতী আৰু সাংবাদিকতাৰ দৰে বৃত্তিৰ সৈতে জড়িত ডুমডুমাৰ কেমেৰা পাৰ্চনগৰাকীৰ কু-কৰ্মই ডুমডুমাৰ সভ্য সমাজক বাৰুকৈয়ে লজ্জানত কৰিছে। ডুমডুমা মহিলা সমিতিৰ সভানেত্ৰী ববী বড়াই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ডুমডুমা আৰক্ষীক উচিত তদন্ত কৰিবলৈ দাবী জনাইছে।



ছিদলী বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ প্ৰচাৰত ব্যস্ত ইউপিপিএলৰ বিধায়ক লৰেন্স ইছলাৰী, শনিবাৰে

## মুখ্য অতিথি ই এম সঞ্জিত তাঁতী আৰু ভেৰগাঁৱৰ মহকুমাধিপতি

# দুই নদীৰ মুখ গাঁৱত কাতি বিহু উদযাপন আৰু সজাগতা সভা




**ই-সংবাদ, ডিমাকুছি, ১৯ অক্টোবৰঃ** চহা কৃষকৰ সাহস ধাননি পথাৰখন। চহা কৃষকৰ পথাৰখনৰ শ্ৰীবৃদ্ধি, সমৃদ্ধিশালী কৰি তোলাৰ মানসেৰে ওদালগুৰি জিলা কৃষি বিভাগে ১৭ অক্টোবত অসমীয়াৰ বাপতি সাহোন কাতি বিহু পালন কৰে। ওদালগুৰি জিলা কৃষি বিভাগে ডিমাকুছি কৃষি মহকুমাৰ অন্তৰ্গত দুই নদীৰ মুখ গাঁৱত কাতি বিহু উদযাপন আৰু সজাগতা সভা অনুষ্ঠিত কৰে। ডিমাকুছি কৃষি মহকুমাৰ দ্বাৰা আয়োজিত সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিটিআৰৰ কাৰ্যবাহী সদস্য সঞ্জিত তাতী আৰু ভেৰগাঁও মহকুমাধিপতি ৰিংখাং মুছাহাৰীয়ে। সভাখন সঞ্চালন কৰে ভেৰগাঁও কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া নিহাৰিকা দত্তই। ডিমাকুছি কৃষি মহকুমা বিষয়া পাৰ্থপ্ৰতিম বৰুৱাই বিভাগৰ বিভিন্ন আঁচনি সম্পৰ্কে বক্তব্য দাঙি ধৰাৰ লগতে কৃষকে বিভাগৰ আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়।মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিটিআৰৰ ই.এম সঞ্জিত তাঁতিয়ে কাতি বিহুৰ ঐতিহ্য আৰু বৈজ্ঞানিক দৃষ্টিভংগী সম্পৰ্কে বৰ্ণনা কৰে লগতে বিভাগৰ তৰফৰ পৰা কাতি বিহু উদ্যাপনৰ বাবে লোৱা পদক্ষেপক প্ৰশংসা কৰে। দুগৰাকী প্ৰগতিশীল কৃষকক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম গ্ৰাম্য সুৰক্ষা দলৰ কেন্দ্ৰীয় সভাপতি কৃষ্ণ বাহাদুৰ গিৰি, আৰু বিটিআৰৰ ভূমি পৰামৰ্শদাতা বোৰ্ডৰ সদস্য নবীন তিমচিমা। দুই নদীৰ মুখ গাঁৱৰ কৃষক খড়ানন্দ শৰ্মাৰ ধাননি পথাৰত অনুষ্ঠিত সভাখনত শলাগৰ শৰাই আগবঢ়াই পানেৰী কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া জ্যোতিমণি গগৈয়ে।

## মানসিক স্বাস্থ্য শক্তিশালী কৰিবলৈ আহ্বান

# মহেন্দ্ৰ কন্দলী একাডেমীত মানসিক স্বাস্থ্য সজাগতা সভা সম্পন্ন


**ই-সংবাদ, মৰিগাঁও, ১৯অক্টোবৰঃ** ঘৰখনৰ পৰাই আৰম্ভ হয় শিক্ষাৰ আদিপাঠ। শিশুৰ প্ৰাথমিক আৰু মৌলিক আচৰণৰ আৰম্ভণিৰ কেন্দ্ৰ হ'ল ঘৰখন। শিশুৰ জীৱনৰ নিৰ্ভৰশীলতা, স্বাধীনতা, সহযোগিতা, প্ৰতিযোগিতা, ৰক্ষণশীলতা, নিৰাপত্তা, ভাতৃত্ববোধ, মৰম-চেনেহ, সহানুভূতি, শৃংখলাবদ্ধতা আদিৰ বিকাশ ঘৰখনতেই হয়। এই মন্তব্য নেহেৰু যুৱ কেন্দ্ৰ মৰিগাঁৱৰ গাণনিক আৰু কাৰ্যসূচী বিষয়া ধনঞ্জয় তালুকদাৰৰ। আজি মৰিগাঁৱৰ অগ্ৰণী শিক্ষানুষ্ঠান মহেন্দ্ৰ কন্দলী একাডেমীত অনুষ্ঠিত মানসিক স্বাস্থ্য সজাগতা সভাত বক্তা হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী, অভিভাৱকক উদ্দেশ্যে দিয়া বক্তৃতা তেওঁ আৰু কয় যে এটা জাতি বা এখন দেশৰ ভাগ্য শ্ৰেণী কোঠাসমূহত গঢ় লয়। বিদ্যালয়ৰ পৰা লাভ কৰা শিক্ষাৰ নীতি-নিয়ম আৰু কাৰ্যসূচীয়ে শিশুক ভৱিষ্যতে সৎ, সংযমী, পৰিশ্ৰমী, নিয়মানুবৰ্তী আৰু শৃংখলাবদ্ধ কৰি গঢ়ি তুলে। অধ্যক্ষা সুনিতা বৰুৱাই আদৰণি ভাষণ আগবঢ়োৱা সজাগতা সভাত বক্তা অতিথি হিচাপে উপস্থিত থাকে মৰিগাঁও শিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপিকা বৰ্ণালী হাজৰিকা। ভাষণত অধ্যাপিকাগৰাকীয়ে শিশুৰ মানসিক স্বাস্থ্য শক্তিশালী কৰাৰ দিশত পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰীসকলে ল'ব লগা বিভিন্ন বিষয়ক লৈ আলোকপাত কৰে। সুস্থ পৰিৱেশ, শুদ্ধ নীতি-নিৰ্দেশনাতহে শিশুৱে সমাজত নিজৰ ব্যক্তিত্বৰ বিকাশ কৰি আৱেগৰ পৰিবৰ্তন, মানসিক চাপ মুক্ত হৈ সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত এক সঠিক সিদ্ধান্তত উপনীত হৈ এক সফল জীৱনৰ বাবে ধাৱমান হ'ব পাৰে আৰু এক সুদৃঢ় মানসিকতা গঢ় দিব পাৰে বুলি কয়। তেওঁ লগতে কয় যে এই বিষয়টোক লৈ যিধৰণে সজাগতা গঢ় লৈ উঠিব লাগিছিল সেয়া আজিলৈকে হৈ নুঠাত সাধাৰণ মানুহৰ মাজত এই লৈ এতিয়াও বিভিন্ন সমস্যাই দেখা দি আহিছে। এনে অনুষ্ঠানৰ আয়োজনে এইক্ষেত্ৰত কিছু হ'লেও সকাহ দিব বুলিও তেওঁ আশা ব্যক্ত কৰে। বিদ্যালয়ৰ শিক্ষয়িত্ৰী অৰ্পিতা বিশ্বাসে সঞ্চলনা কৰা সভাত বিদ্যালয়ৰ দশম মান শ্ৰেণীৰ ছাত্ৰী গাৰ্গী ভাৰতীয়ে কৃতজ্ঞতা শৰাই আগবঢ়ায়। সভাত বিদ্যালয়ৰ শিক্ষয়িত্ৰী নমিতা দেৱীয়ে বিষয়বস্তুৰ ওপৰত বক্তব্য আগবঢ়ায়।

# নালিয়াত চোৰাং গো-ধন জব্দক লৈ ৰহস্য

**ই-সংবাদ, গোলকগঞ্জ, ১৯ অক্টোবৰঃ** ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ নালিয়া আৰক্ষী তালাচী চকীয়ে চোৰাং গোধন জব্দক লৈ ৰহস্যৰ সৃষ্টি হৈছে। ভাৰত-বাংলাদেশ সীমান্তৰ নালিয়া আৰক্ষী তালাচী চকী অন্তৰ্গতগাইখোৱা চৰত নিশা আৰক্ষীয়ে অভিযান চলাই জব্দ কৰিছিল চোৰাং গৰু। কিন্তু জব্দ কৰা সংখ্যাক লৈ ৰহস্যৰ সৃষ্টি হৈছে। অভিযোগ মতে, গোপন খবৰৰ ভিত্তিত আৰক্ষীয়ে চৰত অভিযান চলাই ২৯টা গৰু জব্দ কৰিছিল। স্থানীয় ৰাইজে ব্যক্তিগত গৰু বুলি দাবী ১৯টা গৰু চকীখনৰ পৰা লৈ যায়। দুপৰীয়া আকৌ ছয়টা গৰু নোহোৱা হোৱাত বিয়লি মাত্ৰ চাৰিটা চোৰাং গৰু জব্দ কৰা বুলি ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে সদৰি কৰে। সন্ধিয়া ৰাইজৰ পুনৰ অভিযোগত চকীৰ ঘৰৰ ভিতৰৰ পৰা ৫টা গৰু উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। সমগ্ৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে ৰাইজে।

# হেকেনামাৰাত গাঞ্জাসহ সৰবৰাহকাৰীক আটক

**ই-সংবাদ, মৰিগাঁও, ১৯ অক্টোবৰঃ** মৰিগাঁও চহৰৰ সমীপৱৰ্তী হেকেনামাৰাত আৰক্ষীয়ে এক অভিযান চলাই বুজন পৰিমাণৰ গাঞ্জা জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। হেকিম আলী নামৰ ব্যক্তিজনৰ হেকেনামাৰাৰ বাসগৃহত অবৈধভাৱে বিক্ৰীৰ বাবে মজুত ৰখা হৈছিল প্ৰায় ১০ কিলোগ্ৰাম গাঞ্জা। মৰিগাঁও আৰক্ষীয়ে অভিযান চলাই গাঞ্জা খিনি জব্দ কৰাৰ লগতে লোকজনক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে হেকিম আলীক চোৰাং গাঞ্জা সৰবৰাহ সন্দৰ্ভত আটক কৰি মৰিগাঁও সদৰ থানাত সোধ-পোছ অব্যাহত ৰাখিছে।



শেষ পৃষ্ঠা

# ভৱিষ্যতক লৈ পৰিকল্পনা নাই মেছিৰ

**বুয়েনছ আয়াৰ্ছ, ১৯ অক্টোবৰঃ** ২০২৬ৰ বিশ্বকাপৰ যোগ্যতা অৰ্জনৰ মেচত দেশীয় জাৰ্ছিত দেখা গৈছে লিঅ'নেল মেছিক। কিন্তু ২০২৬ৰ বিশ্বকাপত খেলিব নে নাই এই লৈ অনুৰাগীসকলৰ মাজত জল্পনা-কল্পনা চলি থকাৰ সময়তে বিষয়টোক লৈ মন্তব্য কৰিছে তাৰকা ফুটবলাৰগৰাকীয়ে। আন্তৰ্জাতিক ফুটবলত এতিয়াও ফৰ্মত থকা বিশ্বজয়ী অধিনায়কগৰাকীয়ে দিনদিয়েক পূৰ্বে এক পুৰস্কাৰ বিতৰণী অনুষ্ঠানত ভাগ লোৱাৰ সময়তে তেওঁক সোধা হৈছিল বিশেষ প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰত আৰ্জেণ্টিনাৰ অধিনায়কগৰাকীয়ে কয়, "এতিয়াই এই কথা কোৱা টান। দেখা যাওক কি হয়? মই সময়ৰ আগেই কথাবোৰ ভাবিবলৈ ভাল নাপাও। বহুদিন আগতেই কোনো বিষয়ক লৈ ভাবি নাথাকো। প্ৰতিটো দিনকে মই উপভোগ কৰিবলৈ চেষ্টা কৰো। আশা কৰিছো এনেকৈয়ে খেলি যাব পাৰিম। খেল উপভোগ কৰিব পাৰিম। নিজক সুখী কৰি ৰাখিব পাৰিম।" তেওঁ আৰু কয়, "মই যেতিয়াই যিটো কৰিবলৈ ভালপাওঁ সেইটোকেই কৰো। সেয়া কৰিয়েই সুখী। ২০২৬ৰ বিশ্বকাপতকৈয়ো এতিয়াৰ পৰ্যায়টো বেছি গুৰুত্বপূৰ্ণ। আগন্তুক বিশ্বকাপক লৈ কোনো কথা ভবা নাই। প্ৰতিদিনেই ভালকৈ জীয়াই থাকিবলৈ চেষ্টা কৰো।" ৩৭ বৰ্ষীয় ফুটবলাৰগৰাকীয়ে বিশ্বকাপক লৈ যিদৰে স্পষ্টকৈ কোনো মন্তব্য নকৰিলে ঠিক তেনেকৈ অৱসৰক লৈয়ো মন্তব্য কৰাৰ পৰা বিৰত থাকে।

# ডিমুত প্ৰীতি ফুটবলৰ আয়োজন

**ই-সংবাদ, ৰঙিয়া, ১৯ অক্টোবৰঃ** ৰঙিয়া মহকুমাৰ অন্তৰ্গত ডিমুস্থিত বড়িগোগ হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অহা ২১ অক্টোবৰত এখন প্ৰীতি ফুটবল মেচৰ আয়োজন কৰা হৈছে। বড়িগোগ হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু উদ্যোক্তা ডিমু অসমী ক্লাবৰ মাজত অনুষ্ঠিত হ'ব এই খেলখন। প্ৰতিযোগিতাৰ প্ৰাকমুহূৰ্তত ক্ৰীড়া পতাকা উত্তোলন কৰিব বিদ্যালয়ৰ অধ্যক্ষ জ্যোতিষ কলিতাই। ইয়াৰ পিছতে টুইনিং স্কুল ফুটবল আৰু অভিৰুচি ক্ৰীড়া দিৱসৰ বটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। বঁটা বিতৰণ কৰিব এমট্ৰ'নৰ উপ-প্ৰবন্ধক দীনমণি ভাণ্ডাৰ কায়স্থ আৰু অৱসৰপ্ৰাপ্ত অধ্যক্ষ জ্যোতিষ চন্দ্ৰ ডেকাই। বিয়লি ৩ বজাত প্ৰীতি ফুটবল খেলখন উদ্বোধন কৰিব ৰঙিয়াৰ স্থানীয় বিধায়ক ভবেশ কলিতাই।



ব্যৰ্থতাৰ উচুপনি ঢাকিবলৈ প্ৰয়াস ৱেষ্ট ইণ্ডিজৰ হাইলি মেথিউজৰ, শ্বাৰজাহত শনিবাৰে

## দ্বিতীয় ছেমিফাইনেলত ৮ ৰানত পৰাস্ত ৱেষ্ট ইণ্ডিজ

# মহিলা টি-২০ বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ নিউজিলেণ্ডৰ

**শ্বাৰজাহ, ১৯ অক্টোবৰঃ** মহিলা টি-২০ বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছে নিউজিলেণ্ডে। শ্বাৰজাহত ভাৰতীয় সময়মতে শনিবাৰে নিশাৰ ভাগত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত কিৱি দলটোৱে ৱেষ্ট ইণ্ডিজক ৮ ৰানত পৰাস্ত কৰে। এতিয়া কাইলৈ অনুষ্ঠিত হ'বলগীয়া ফাইনেলত দলটোৱে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ লগে লগে এইবাৰৰ মহিলা টি-২০ বিশ্বকাপে লাভ কৰিব নতুন চেম্পিয়ন। কিয়নো এই দল দুটাৰ কোনো এটা দলেই এতিয়ালৈকে টি-২০ বিশ্বকাপ জয় কৰিবলৈ সমৰ্থ হোৱা নাই। কালিৰ ছেমি ফাইনেল মেচখনত ১২৯ ৰানৰ বিজয় লক্ষ্য আগত লৈ ৱেষ্ট ইণ্ডিজ দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেট হেৰুৱাই মাথো ১২০ ৰানহে কৰিবলৈ সমৰ্থ হয়। দিয়ান্দ্ৰা ডটিনে ২২টা বলত ৩৩ ৰান স্ক'ৰ কৰাৰ বাদে বাকী আটাইকেইগৰাকী বেটাৰেই ব্যৰ্থ হয়। নিউজিলেণ্ডৰ হৈ ইডেন কাৰ্ছনে ৩টা, এমেলিয়া কেৰে ২টা আৰু ছুজি বেটছ, ফ্ৰেন জোনাছ, লিয়া টাহুহুৱে একোটাকৈ উইকেট হস্তগত কৰে। ইয়াৰ পূৰ্বে টছত জয়ী হৈ বেটিং কৰি কিৱি দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেট হেৰুৱাই ১২৮ ৰান সংগ্ৰহ কৰে। দলৰ হৈ জৰ্জিয়া প্লিমাৰে সৰ্বাধিক ৩৩ আৰু ছুজি বেটছে ২৬ ৰানৰ অৱদান আগবঢ়ায়। ৱেষ্ট ইণ্ডিজৰ দিয়ান্দ্ৰা ডটিনে ৪টাকৈ উইকেট দখল কৰে। প্লেয়াৰ অব দ্য মেচৰ সন্মান লাভ কৰে ইডেন কাৰ্ছনে। এই খেলখনত শেষৰ অভাৰটো আকৰ্ষণীয় হৈ পৰিছিল। এই অভাৰটোত ৱেষ্ট ইণ্ডিজক জয়ৰ বাবে ১৫ ৰানৰ দৰকাৰ আছিল যদিও নিউজিলেণ্ডৰ সুনিয়ন্ত্ৰিত বলিঙৰ বাবে মাত্ৰ ৬ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দিয়ান্দ্ৰাৰ বাদে ৱেষ্ট ইণ্ডিজৰ খেলুৱৈসকলে সহজে হাৰ মনা পৰিলক্ষিত হয়।

# কিৱি বাহিনীক ১০৭ ৰানৰ সহজ লক্ষ্য বান্ধি দিলে ভাৰতে

**বাংগালুৰু, ১৯ অক্টোবৰঃ** প্ৰথম ইনিংছৰ বেটিং বিপৰ্যয়ৰ পিছত ছৰফৰাজ খানৰ শতক আৰু ঋষভ পন্টৰ নাৰ্ভাছ নাইণ্টি নাইনৰ সহায়ত দ্বিতীয় ইনিংছত সন্মানজনক স্থিতিত উপনীত হ'বলৈ সমৰ্থ হৈছে ভাৰত। নিউজিলেণ্ডৰ বিৰুদ্ধে চলিত টেষ্ট শৃংখলাৰ প্ৰথম টেষ্টৰ আজি চতুৰ্থ দিনা ঘৰুৱা দলটোৱে দ্বিতীয় ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৪৬২ ৰান সংগ্ৰহ কৰে। এতিয়া আলহী দলটোক কাইলৈ অন্তিম দিনটোত জয়ৰ বাবে প্ৰয়োজন হ'ব মাত্ৰ ১০৭ ৰানৰ। তৃতীয় দিনা তিনি উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২৭১ ৰানৰ পৰা খেল আৰম্ভ কৰি আজি ভাৰতে আৰু ১৯১ ৰান যোগ দিয়ে। ছৰফৰাজ খানে আজি কেৰিয়াৰৰ প্ৰথমটো শতকীয় ইনিংছ অৰ্জন কৰি দলক নিশ্চিত বিপদৰ পৰা উদ্ধাৰ কৰে। ছৰফৰাজে ১৫০ ৰান কৰি টিম ছাউথিৰ বলত আজিজ পেটেলৰ হাতত কেচ তুলি দি আউট হয়। আনহাতে ঋষভ পণ্টে আঘাত সত্বেও সুন্দৰ প্ৰদৰ্শনেৰে ৯৯ ৰান কৰি পেভিলিয়নলৈ উভতে। নিউজিলেণ্ডৰ হৈ মেট হেৰি আৰু ৰ'ৰ্কিয়ে ৩টা, আজিজ পেটেলে ২টা, টিম ছাউথি আৰু গ্লেন ফিলিপছে ১টাকৈ উইকেট হস্তগত কৰে। ভাৰতে দ্বিতীয় ইনিংছ সামৰাৰ পিছত নিউজিলেণ্ডে ক্ৰিজত নামে যদিও কম পোহৰৰ বাবে প্ৰথমটো অভাৰৰ ৪টা বল খেলাৰ পিছতে আম্পায়াৰে চতুৰ্থ দিনৰ খেল স্থগিত ৰাখে। এই লৈ ভাৰতীয় দলটোৱে অসন্তুষ্টিও ব্যক্ত কৰিছে। দিনান্তত এটাও উইকেট নেহেৰুৱাকৈ ক্ৰিজত আছে অপেনাৰদ্বয় টম লাথাম আৰু কনৱে। বৰ্ষাবিঘ্নিত মেচখনৰ অন্তিম দিনা এতিয়া বলাৰসকলৰ ওপৰতেই নিৰ্ভৰ কৰিছে ভাৰতৰ জয়-পৰাজয়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)